# ARYAN

YEAR: 1973-74

EDITOR:PANKAJ SAHARIA

# এৰিয়ান

73-74



সম্পাদক

# আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ মুখপত্ৰ

১৯'৭৩-৭৪

# এ
# ৰি
# য়া
# ন

সম্পাদক :

জিতেন লহকৰ

বছৰেকীয়া প্ৰকাশ
পঞ্চদশ সংখ্যা
১৯৭৩-৭৪ চন

সম্পাদনাত
জিতেন লহকৰ

বেটুপাট আৰু অন্তঃভাগৰ চিত্ৰায়ণ
শ্ৰীনৰকুমাৰ চৌধুৰী

অঙ্গসজ্জাত
নৰকুমাৰ চৌধুৰী
জয়শ্ৰী নাথ আৰু
জিতেন লহকৰ

ছপাশাল
ইউনাইটেড প্ৰিণ্টাৰ্চ,
উজান বজাৰ
হেমচন্দ্ৰ বৰুৱা ৰোড্
গুৱাহাটী - ১

সুঁৱৰিছো এইসকলক—


অধ্যাপক-অধ্যাপিকাসকল— শ্ৰীনীলমণি ফুকন, পূৰ্ণিমা দাস, দীনেশ বৰুৱা, ৰামচৰণ দাস, ৰবীন তালুকদাৰ, শিৱনাথ বৰ্ম্মণ আৰু অধ্যক্ষ গিৰিধৰ শৰ্ম্মা।

লগতে

ছাত্ৰবন্ধু-বান্ধবীসকল—
ঘনশ্যাম চৌধুৰী, প্ৰমোদকুমাৰ বৰুৱা, প্ৰবীণ লহকৰ, মহেন্দ্ৰ পাটোৱাৰী, প্ৰবীণ অধিকাৰী, ধ্ৰুব ডেকা, ৰূপালী দেৱী, জয়শ্ৰী নাথ

আৰু

ইউনাইটেড প্ৰিণ্টাৰ্চৰ কৰ্ম্মীবৃন্দ।




॥ সম্পাদকীয় ॥ সম্পাদক ॥

॥ ৩০ ॥ এখন উপন্যাসিকা / পলাতক / সুৰেন্দ্ৰ নাথ চৌধুৰী /

॥ প্ৰবন্ধ ॥

১ ॥ বৰ্ব্বৰতাৰ আন এটি নাম অজ্ঞতা ॥ ৰমানন্দ ৰাজখোৱা ॥

৫ ॥ কেথাৰছিছ ॥ আশুবোধ কলিতা ॥

৮ ॥ বুৰঞ্জী ॥ অধ্যাপক শিৱনাথ বৰ্মণ ॥

১৩ ॥ বিজ্ঞানাচাৰ্য্য সত্যেন্দ্ৰনাথ বসু ॥ অধ্যাপক অমূল্য চৌধুৰী ॥

১৬ ॥ ভাৰতীয় সমাজবাদৰ স্বৰূপ ॥ প্ৰদীপ ফুকন ॥

২০ ॥ নিক'লাছ ক'পাৰনিকাছ ॥ ৰমেশ চন্দ্ৰ শৰ্ম্মা ॥

২২ ॥ সাম্প্ৰতিকী ॥ নৱকুমাৰ ভট্টাচাৰ্য্য ॥

২৫ ॥ যদি পূৰ্ণ হয় ॥ উজ্জল দে ॥
২৬ ॥ বিহুৱা ॥ আমিনুল হক ॥
আৰু
॥ দুটি কবিতা ॥ গিৰীশ কলিতা ॥
২৭ ॥ বিবৰ্ত্তন ॥ ৰমেশ্বৰ ৰাভা ॥
২৮ ॥ এই কুঁৱলীতে ॥ অধ্যাপক নলিনীধৰ ভট্টাচাৰ্য্য ॥

## ॥ কবিতা ॥

২৯ ॥ দুটি গীত ॥ অধ্যাপক বিৰিঞ্চিকুমাৰ মেধি ॥

## ॥ গল্প লিখিছে ॥

৪৪ ॥ মৈনা ॥ গিৰীশ কলিতা ॥
৫০ ॥ আদৰুৱা নহয় ॥ যোগেশ বৰুৱা ॥
৫৪ ॥ মাজত মাথো শেৱালী ॥ বিমান বড়া ॥
৫৯ ॥ বস্তি ॥ জিতেন শইকীয়া ॥

ডঃ হীৰেণ গোঁহাই / নৱকান্ত বৰুৱা / ডঃ ভূপেন হাজৰিকা / ডঃ নিৰ্ম্মলা প্ৰভা বৰদলৈ / বিজয় চৌধুৰী / বিজয়শঙ্কৰ / জয়ন্ত হাজৰিকা / আৰু দুলাল ৰয় /

## ॥ মুকলি চ'ৰাত ॥

৮৭ প্ৰশ্ন উত্তৰ শিতান
/ ছাত্ৰ-ছাত্ৰীৰ প্ৰশ্নৰ উত্তৰত ॥ সম্পাদক ॥
৯১ আমাৰ প্ৰতিবেদন

● ● ●

# সম্পাদনা সমিতি ঃ



সোঁফালৰ পৰা—

বহি থকা—অধ্যাপক ৰামচৰণ দাস ( তত্বাবধায়ক )

অধ্যক্ষ গিৰিধৰ শৰ্ম্মা ( সভাপতি ) আৰু

অধ্যাপক নীলমণি ফুকন ( তত্বাবধায়ক )

থিয় হৈ—গিৰীন্দ্ৰ কুমাৰ ঠাকুৰীয়া ( সভ্য ), নৱকুমাৰ চৌধুৰী ( সভ্য ), জিতেন লহকৰ ( সম্পাদক )

নৱকুমাৰ ভট্টাচাৰ্য্য ( সভ্য ) আৰু আমিনুল হক ( সভ্য ) ।

# সম্পাদকীয়

## সাহিত্য আৰু সংস্কৃতি চৰ্চ্চাৰ বিষয়ে এষাৰ

সংস্কৃতি চৰ্চ্চা জীৱন্ত জাতিৰ লক্ষণ। কিন্তু সংস্কৃতিৰ নামত হোৱা সকলো চৰ্চ্চাই প্ৰকৃত সংস্কৃতি চৰ্চ্চা নহ'বও পাৰে। আজিও অসমীয়া সংস্কৃতিক পূৰ্ণবিকশিত সংস্কৃতি বুলি কোৱা টান। আমাৰ সংস্কৃতিৰ কিছুমান দিশ এতিয়াও তেনেই অনুন্নত অৱস্থাত আছে। পুৰণি নৃত্যগীতৰ কথা বহু শুনিছোঁ। কিন্তু সেই পুৰণি নৃত্যগীতৰ ভেঁটিত বা সম্পূৰ্ণ নতুনকৈ সৃষ্টি কৰা তেনে শিল্প সম্পদ কিমান বা, সিবোৰৰ মানেই বা কি? আত্ম-সমালোচনাৰে তুলনামূলক পদ্ধতিৰে কিছুমান কথা বিচাৰ কৰি চোৱাৰ সময় হ'ল।

আপোন সংস্কৃতিৰ প্ৰতি আগ্ৰহ আৰু কৌতুহল নাথাকিলে ছাত্ৰ সমাজেই বা কি বৰঙণি আগবঢ়াব সেই সংস্কৃতিৰ বিকাশত? অনুসন্ধিৎসা বঢ়োৱা আৰু ৰুচি নিৰ্ম্মাণৰ বাবে ছাত্ৰ জীৱনেই প্ৰশস্ত সময়। কিন্তু আমি ছাত্ৰ সমাজে এই মহামূল্যবান সময়চোৱা কটাওঁ কেনেকৈ? আমি মনত ৰখা দৰকাৰ, গুণগত দিশত সংস্কৃতি এটা সম্পদশালী কৰি গঢ়ি তুলিব নোৱাৰিলে, দাবি-হুংকাৰেৰে সেই সংস্কৃতি কাহানিও মহৎ কৰি তুলিব নোৱাৰিম। অক্লান্ত সাধনা, একা-

গ্ৰতা, সততা আৰু ত্যাগৰ বিনিময়তহে এটা সংস্কৃতি মহৎ হৈ উঠে।

এই আলোচনী সম্পাদনা কৰিবলৈ লওঁতে নানান তিতা-কেহা অভিজ্ঞতা হ'ল। বিশেষকৈ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ মানসিক জগতখনলৈ ভুমুকি মাৰি চোৱাৰ এটা বিৰল সুযোগ পালোঁ। ঐশ্বৰ্য্যশালীনে—বিচিত্ৰনে সেই জগৎ? এই আলোচনীখনৰ সম্ভাৰেই বহন কৰিছে তাৰ উত্তৰ।

**অভাৱ অনাটন আৰু ছাত্ৰৰ কৰ্ত্তব্য :** পুঁজিবাদী অৰ্থনীতি অনুসৰণ কৰা বাবেই আমাৰ দেশত যে অৰ্থনৈতিক সঙ্কটে দেখা দিছে তাক কোনো সচেতন মানুহেই নুই কৰিব নোৱাৰে। দুটা এটা প্ৰশাসনীয় সংস্কাৰৰ জৰিয়তে দেশলৈ সমাজবাদ আনিব নোৱাৰি অথচ আমাৰ চৰকাৰে তাকেই কৰিছে আৰু ফলস্বৰূপে দেশত সঙ্কট আৰম্ভ হৈছে। এই সঙ্কটৰ ৰূপ সৰ্বগ্ৰাসী, অংশ বিশেষৰ উন্নতি সাধি এই সঙ্কট দূৰ কৰিব পৰা নহ'ব। মুদ্ৰাস্ফীতি, মূল্যবৃদ্ধি, উৎপাদন হ্ৰাস, নিবনুৱা সমস্যা, দাৰিদ্ৰ, অজ্ঞতা আদি এশ-একুৰি সমস্যা পৰস্পৰ বিচ্ছিন্ন নহয় এইবোৰৰ ঘাই উৎস হৈছে অবাধ শোষণৰ পথ মুকলি কৰা পুঁজিবাদী সমাজ ব্যৱস্থাহে। সম্প্ৰতি আমাৰ চৰকাৰেও এই কথা অনুভৱ নকৰাকৈ থকা নাই, সেইবাবে তেওঁলোকে সমাজবাদৰ কথা কৈছে; কিন্তু এহাতে কৌশলেৰে পুঁজিবাদ জীয়াই ৰখা আৰু আনহাতে জনসাধাৰণৰ পৰিবৰ্ত্তনৰ আকাঙ্খাৰ প্ৰতি মৌখিক সহানুভূতি দেখুওৱা—এই দুয়োটা কথা পৰস্পৰ বিৰোধী। ২৬/২৭ বছৰৰ শাসনৰ পিচতো দেশৰ অধিকাংশ মানুহ অভাৱ-অনাটনত জুৰুলা; তেওঁলোকৰ ক্ৰয়শক্তি ক্ৰমান্বয়ে কমি গৈছে; হা-ভাত, হা-কাপোৰকৈ অবৰ্ণনীয় দুখ কষ্টৰ মাজত জীৱন কটাইছে। ইয়াৰ কাৰণ কি? উত্তৰত কব লাগিব চৰকাৰৰ চৰিত্ৰত থকা স্ববিৰোধেই ইয়াৰ ঘাই কাৰণ। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাকো সমূহীয়া উন্নতিৰ বাবে কামত লগোৱা হোৱা নাই। ইয়াৰ ফলত সমাজৰ এটা শ্ৰেণীহে লাভবান হৈছে, সৰহ সংখ্যক মানুহ অৰ্থনৈতিক, সামাজিক আৰু সংস্কৃতিক দিশত অনগ্ৰসৰ হৈয়ে আছে।

দেশৰ এই পৰিস্থিতিত আমাৰ ছাত্ৰবন্ধু সকলৰ একো কৰ্ত্তব্য নাইনে? নিশ্চয় আছে। তেওঁলোকে মিছা আমোদ-প্ৰমোদত সময় খৰচ নকৰি দেশত কি ঘটিছে তাৰ বিষয়ে জনা উচিত; কিয়নো পৰিবেশৰ জ্ঞানেইহে আচল জ্ঞান। এই জ্ঞান আয়ত্ব কৰি কিদৰে সমূহ দূৰ্দশাগ্ৰস্ত ৰাইজৰ উপকাৰত অহাকৈ পৰিবেশৰ পৰিবৰ্ত্তন সাধিব পাৰি তাৰ বাবে ছাত্ৰ সকলে চিন্তা কৰা প্ৰয়োজন। প্ৰৰিবেশক মানুহেই সৃষ্টি কৰে যদিও মানুহে তাক ইচ্ছানুযায়ী গঢ় দিব নোৱাৰে। ইয়াৰ কাৰণ হ'ল সমাজৰ অগ্ৰগতিৰ কিছুমান বাস্তৱ নিয়ম আছে যিবোৰ জানি নল'লে এটা ভৱিষ্যতমুখী চিন্তা গঢ় দিয়া টান।

আজিৰ ছাত্ৰৰ ভৱিষ্যত অনিশ্চিত, সমুখত গণমাধ্যম সমূহে দাঙি ধৰা প্ৰলোভন আছে। ছাত্ৰসকলে সেইবাবে ধৰাতলতে দৃষ্টি আৱদ্ধ নাৰাখি সমাজৰ গভীৰলৈ চাব জানিব লাগে। বাস্তৱ জীৱন সম্পৰ্কে জ্ঞান আহৰণ, তাৰ কাৰণ বিশ্লেষণ আৰু সঠিকভাবে নিৰ্ব্বাচন কৰি

পুথি-পাঁজি অধ্যয়ন কৰিলে সমাজত আচলতে কি ঘটিছে তাক বুজিব পাৰি।

আগতেই কৈ আহিছো, ছাত্ৰসকল নগৰীয়া জীৱনৰ প্ৰলোভনৰ জালখনত নোসোমোৱাকৈ থকা উচিত, তাৰ সলনি গাওঁলৈ, কাৰখানালৈ অথবা নগৰৰ বস্তি অঞ্চললৈ গৈ মানুহৰ দুখ দুৰ্দ্দশাৰ বুজ লব লাগে। দেশৰ শোষিত শ্ৰেণীৰ সৈতে একেমুঠি হৈ পৰিবৰ্ত্তনৰ কথাও চিন্তা কৰা প্ৰয়োজন। পৰিবৰ্তন আহিবই, কিন্তু এই পৰিবৰ্তন ক্ষিপ্ৰতৰ হ'ব যদিহে শোষিত মানুহ একত্ৰিত হ'ব পাৰে। ছাত্ৰসকলে এই কথা মনত ৰখা উচিত।

**সম্পাদনাৰ আঁৰত :** এখন সুন্দৰ আলোচনী এজন সম্পাদকে কেইজনমান সদস্যৰে সৈতে লগ লাগি কেতিয়াও সৃষ্টি কৰিব নোৱাৰে যদিহে ছাত্ৰ-ছাত্ৰী সকলৰ আন্তৰিকতা, একাগ্ৰতা, সাধনা আৰু চৰ্চ্চা নাথাকে।

আমাৰ মহাবিদ্যালয়ত আলোচনীখন সম্পাদকৰ নিজা বস্তু বুলি লৈহে যেন কাম কৰিব লাগে তাৰেই প্ৰমাণ পোৱা গ'ল এইবাৰ। কাৰণ আলোচনীৰ বাবে ৰচনাৰাজি খুজি খুজি ছাত্ৰছাত্ৰী কিম্বা অধ্যাপক-অধ্যাপিকা সকলৰ ওচৰলৈ যাওঁতে ভৱিষ্যতলৈ যাতে সম্পাদক নহওঁ তাৰেহে প্ৰেৰণা পাওঁ—কাৰণ আমাৰ মহাবিদ্যালয়ত আলোচনীৰ বাবে লিখিবলৈ কোনেও সময় নাপায়।

যি দুই চাৰিজনে লিখে তাতো চৰ্চ্চাৰ অভাৱ দেখা যায়। ফলত ঠিক সময়মতে সুন্দৰ আলোচনী এখন উলিওৱা অসম্ভৱ হৈ পৰে।

সেয়ে আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ সমূহ সাহিত্যপ্ৰেমীলৈ মোৰ অনুৰোধ—তেওঁলোকে যেন আলোচনীখন সম্পাদকৰ নকৰি প্ৰত্যেকেৰে নিজা বুলি ভাবি লৈ সুন্দৰ আলোচনী এখন জন্ম দিবলৈ ভৱিষ্যতৰ সম্পাদকবোৰক প্ৰেৰণা দিয়ে।

সকলোৰে আন্তৰিকতা থাকিলেহে আলোচনীখনৰ ভিতৰত সম্পাদকে এন্ধাৰৰ বিৰুদ্ধে পোহৰৰ সংগ্ৰাম চলাব পাৰিব। তাকে নকৰি ছাত্ৰছাত্ৰী সকলে যদি আলোচনীৰ ফিজখিনি দিয়ে ক্ষান্ত থাকে সম্পাদক এজন আছে বুলি (এয়া মোৰ অভিজ্ঞতাৰহে কথা কৈছো) তেতিয়া হলে সম্পাদক জনে কেতিয়াও এন্ধাৰৰ বিৰুদ্ধে পোহৰে সংগ্ৰাম কৰা আলোচনী এখন দিব নোৱাৰে।

এয়া সকলো ছাত্ৰছাত্ৰীয়ে গমি চাবৰ হ'ল।

এয়া মোৰ উপদেশ নহয়, উপলব্ধি কিম্বা সম্পাদক হৈ পোৱা অভিজ্ঞতাহে।


সম্পাদক,



'সুকুমাৰ কলাৰ'
ফটো প্ৰতিযোগিতাত
প্ৰথম পুৰস্কাৰ পাওঁতা

*প্ৰণৱ শৰ্ম্মা*
২য় বাৰ্ষিক প্ৰঃ বিঃ
( বিজ্ঞান )

মই দেখিছো
কতনো গগণ চুম্বী
অট্টালিকাৰ শাৰী
তাৰ কাষতে দেখিছো
কতনো গৃহহীন নৰনাৰী




নিঃশব্দে নীৰৱে
বুঢ়া লুইত তুমি বোৱা কিয় ?

ফটো— ৰবীন শৰ্মা
৩য় বাৰ্ষিক ( বিজ্ঞান )

মুকলি জীৱনৰ
সুখৰ ঢৌ ভাঙি
ভাঙি............

'সুকুমাৰ কলাৰ'
ফটো প্ৰতিযোগিতাত
২য় পুৰস্কাৰ পাওঁতা

ফটো— জিতেন দেহকৰ
২য় বাৰ্ষিক ( বিজ্ঞান )



# বৰ্ব্বৰতাৰ আন এটি নাম অজ্ঞতা

[ এটি সম্পূৰ্ণ কাল্পনিক প্ৰবন্ধ ]

শ্ৰীৰমানন্দ ৰাজখোৱা,
তৃতীয় বাৰ্ষিক,
বিজ্ঞান শাখা

২০৯৯ চনৰ শীতকালৰ এদিনৰ কথা। পৃথিবীৰ বিখ্যাত বাতৰি কাকত প্ৰাভ্দা, ৱাছিংটন পোষ্ট, লণ্ডন টাইমচ্ আদিত পুৱাৰ সংখ্যাত প্ৰকাশ হোৱা এটি বাতৰিয়ে গোটেই জগতকে চমক্ খুৱালে। বাতৰিটিয়ে কোনো ৰাজনৈতিক হত্যাকাণ্ড, কোনো এটা জাতিৰ পতন নাইবা হাইড্ৰোজেন বোমাৰ শক্তিৰে আকাশীজাহাজ চলোৱাৰ কথা বহন কৰা নাছিল। ই আছিল এক উৰ্ব্বৰ মস্তিষ্কৰ বৈজ্ঞানিক আবিষ্কাৰ, যি সম্ভৱ কৰি তুলিলে ইথাৰৰ মাজেৰে ৰেডিও সংকেত পঠিওৱাৰ দৰে জীৱন্ত প্ৰাণী আদান-প্ৰদান কৰাৰ এটি অভিনৱ বৈজ্ঞানিক কল কৌশল।

'এন্দ্ৰ নিকলভ'— কচিয়াৰ এই ডেকা বৈজ্ঞানিক জনৰ প্ৰসংশাত গোটেই জগতবাসী পঞ্চমুখ। এই আবিষ্কাৰৰ স্বীকৃতি হিচাবে তেওঁলৈ আগবঢ়োৱা হ'ল সেইবছৰৰ পদাৰ্থবিজ্ঞানৰ নোবেল পুৰস্কাৰ। এই বৈজ্ঞানিক জনে তেওঁৰ তত্ত্বৰ গানিতীক দিশটোতেই আবদ্ধ নেথাকি ইতিমধ্যে সৰু সৰু জীৱ—যেনে এন্দুৰ, নিগনী, শহা ইত্যাদি ইথাৰৰ মাজেৰে প্ৰেৰণ কৰি বহু হেজাৰ মাইল আঁতৰত থকা গ্ৰাহক যন্ত্ৰত জীৱন্তে উলিয়াই আনি আবিষ্কাৰৰ সত্যতা প্ৰতিপন্ন কৰিছে। তেওঁ যেন্ অপ্ৰতিদ্বন্দী, অদ্বিতীয়।

পৃথিবীৰ ডাঙৰ ডাঙৰ প্ৰায় সকলো মহানগৰীতেই "Living object-Transferring Centre" (সংক্ষেপে LOTC) স্থাপন কৰা হ'ল; যিবোৰত গ্ৰাহক আৰু প্ৰেৰক যন্ত্ৰই শ্ৰান্তিহীন আৰু ক্লান্তিহীন ভাবে কাম কৰিবলৈ ধৰিলে; যাৰ দ্বাৰা জগতৰ লক্ষ লক্ষ মানুহে কেইমিনিট মানৰ ভিতৰতেই এখন মহাদেশৰপৰা আন এখন মহাদেশলৈ অতি কম খৰছত যাতায়ত কৰাৰ সুবিধা পালে। ইয়াৰ ফলস্বৰূপে কেইবাটাও আন্তৰ্জাতিক বিমান পৰিবহন কোম্পানীৰ পানীত হাঁহ নচৰা অৱস্থা হ'ল। মানুহে ভাবিব নোৱাৰিলে, ই একবিংশ শতিকাৰ শেষ ভাগৰ সপোন নে দিঠক। ই যেন অসম্ভৱকো

সম্ভৱ কৰি তুলিলে। এই আবিষ্কাৰৰ বৈজ্ঞানিক কল-কৌশলৰ কিছু উন্নতি সাধি আৰু অত্যাধুনিক কৰা হ'ল। সম্ভৱ হৈ পৰিল মাত্র এঘণ্টাৰ ভিতৰতেই লণ্ডনৰ এটি পৰিয়ালক চীনৰ প্ৰাচীৰ দেখুৱাই, আমেৰিকাত সান্ধ্য ভ্ৰমণ কৰোৱাই, পেৰিচৰ ৰেঁস্তোৰাত বহি কফি খুৱাব পৰা অৱস্থাৰ।

এতিয়া বৈজ্ঞানিক সকলৰ চিন্তা হ'ল, কেনেকৈ তেওঁলোকে গ্ৰহ-গ্ৰহান্তৰলৈ মানুহ বা জীৱিত প্ৰাণী এই পদ্ধতিৰে প্ৰেৰণ কৰিব পাৰে। ইতিমধ্যে আমাৰ সৌৰ-জগতৰ 'ন'টা গ্ৰহকেই পৃথিৱীৰ বৈজ্ঞানিকে জয় কৰিলে। আটাইকেইটা গ্ৰহতেই হাজাৰ হাজাৰ পৃথিৱীৰ বৈজ্ঞানিকে গৱেষণা চলাই আছে; আৰু অনন্ত মহাকাশত ভ্ৰমি ফুৰিছে, ঘণ্টাত কৌটি-কৌটি মাইল বেগেৰে অজস্ৰ মহা-কাশযান। জ্ঞান পিপাসু মানৱজাতীয়ে আৰু যেন বহু কিবা-কিবি জানিব খুজিছে।

অতি কম সময়ৰ ভিতৰতে পৃথিৱীৰপৰা বহু লক্ষ মাইল আঁতৰত এটি আন্তর্গ্ৰহ ষ্টেচন (Interplanatory Station) স্থাপন কৰা হ'ল। প্ৰশান্ত মহাসাগৰৰ মাজৰ এটি দ্বীপত প্ৰকাণ্ড LOTC নিৰ্মান কৰা হ'ল, আৰু এনেকুৱা অনুৰূপ ষ্টেচন আটাইকেইটা গ্ৰহতেই পৃথিৱীৰ বৈজ্ঞানিকে স্থাপন কৰিলে। সকলো ব্যৱস্থা সম্পূৰ্ণ হ'ল।

এতিয়া আহিল এই নৱ উদ্ভাৱিত পদ্ধতিৰে গ্ৰহ-গ্ৰহান্তৰলৈ পঠাব লগা যাত্ৰীৰ নিৰ্ব্বাচন। কিন্তু আচৰিত কথা, সমগ্ৰ পৃথিৱীৰ এজন লোকো এই অনাগত ভৱিষ্যতক স্বাগতম্ জনাবলৈ আগবাঢ়ি নাহিল। সকলোৰে মনত যেন এটি প্ৰশ্নই উদয় হ'ল— ইমান দীঘলীয়া ভ্ৰমণৰ পিছত নিজক জানো জীৱিত অৱস্থাত পোৱা যাব ??

LOTC ৰ বিষয়া সকলৰ মুৰ ঘূৰাই গ'ল। তেওঁলোকে মানুহক বৈজ্ঞানিক সত্যতাৰ পতিয়ন নিয়াবলৈ অনেক জীৱ-জন্তু গ্ৰহ-গ্ৰহান্তৰলৈ পঠিয়াই অনা-নিয়া কৰি দেখুৱালে। সকলো দেশৰ বাতৰি কাকততেই বিজ্ঞাপন দি উৎসুক যাত্ৰী বিচাৰিলে। কিন্তু সকলো বিফল হ'ল। তেওঁলোকৰ সকলো আশা-আকাংখা, কষ্ট-পৰিশ্ৰমত যেন চেচাঁ পানী পৰিল। কিন্তু কল্পনাতীত ভাৱে মেৰিণা নামৰ গাভৰু এজনী ওলাই অহাত LOTC ৰ সকলো লোক আচৰিত হৈ গ'ল। যেতিয়া মেৰিনাই অতি আবেগ ভৰা কণ্ঠেৰে ক'লে যে ময়েই এই মহান পৰীক্ষাৰ প্ৰথম আহিলা হব খোজো" তেতিয়া সকলোৰে মুখত হাঁহি বিৰিঙিল। অনর্গল ভাৱে মেৰিনাই কৈ গ'ল তেওঁৰ দুখৰ কাহিনী; —ক'লে কেনেকৈ তেওঁৰ প্ৰিয়-তম বিজ্ঞানী উইং কমাণ্ডাৰ এডলফ ৰুকাৰ আমেৰিকা চৰকাৰৰ কঠোৰ নিৰ্দ্দেশত নিৰ্ব্বাচিত হ'ল বৃহস্পতি গ্ৰহলৈ। আজি সুদীৰ্ঘ দহ বছৰে তেওঁৰ অবিহনে যে মেৰিনাই কি কঠোৰ, নিৰস জীৱন-যাপন কৰিছে সেই কথা বৰ্ণনা কৰোতে মেৰিনাৰ দুগালেদি বৈ গ'ল দুধাৰি চকুলো।

LOTC ৰ ডিৰেক্টৰ জেনেৰেল ডাঃ ৰবাৰ্ট হিউমে মেৰিনাৰ প্ৰতি যেন সহানুভূতি দেখুৱায়েই ক'লে,— যে তেওঁক বৃহস্পতি গ্ৰহলৈকে পঠিয়াব। মেৰিনা আনন্দত আত্মহাৰা হ'ল; নিজৰ কান দুখনকেই যেন বিশ্বাস কৰিব নোৱাৰিলে। মুহূৰ্ত্ততেই যেন দেখিলে তেওঁৰ প্ৰিয়তমৰ সান্নিধ্য লাভৰ মধুৰ সপোন। স্থিৰ হৈ থাকিব নোৱাৰিলে আনন্দত। কান্দি পেলালে।

এই সংবাদটো বৃহস্পতি গ্ৰহৰ নিসঙ্গ বিজ্ঞানী ৰুকাৰকে জনোৱা হ'ল। লগতে কোৱা হ'ল যে "তোমাৰ প্ৰিয়তমা মেৰিনাকেই তোমাৰ ওচৰলৈ পঠিওৱা হব।" ৰুকাৰ আনন্দত উদ্বাউল হৈ উঠিল। পিছমুহূৰ্ত্ততেই এটি অজান আশঙ্কাই তেওঁক আবৰি ধৰিলে; মনতে গুণ গুণাই গ'ল "ইমান দুৰত্ব অতিক্ৰম কৰি তেজ-মঙহৰ এটি শৰীৰ আহিব মোৰ হৃদয় পুৰাবলৈ তাক জানো নিয়তীয়ে সহ্য কৰিব" (?) "নহয় নহয় ই মোৰ ভ্ৰান্ত ধাৰণা ময়েই প্ৰথমে গ্ৰাহক যন্ত্ৰৰপৰা মেৰিনাক উলিয়াই আনি স্বাগতম্ জনাম"।

দিন ঠিক হ'ল। লাহে লাহে সেই দিনটোও আহি উপস্থিত হ'ল। LOTC ৰ সন্মুখত এক অকল্পনীয় জনসমাবেশ। কোনো এজন বিষয়াৰেই আজৰি নাই, প্ৰত্যেকেই নিজ নিজ কামত ব্যস্ত।

বিৰাট পাৰমাণৱিক ঘড়িটোৱে সময়ৰ নির্দ্দেশ দিলে। মেৰিনাই সম্ভাষণ গ্ৰহণ কৰি বৃহদাকাৰ প্ৰেৰক যন্ত্ৰটোৰ ওচৰলৈ গৈ আছে বিৰাট জনসমাবেশৰ মাজেৰে, লগে লগে গৈছে ডিৰেক্টৰ জেনেৰেল ডঃ হিউম আৰু অন্য'ন্য বিজ্ঞানি সকল। মেৰিনা গৈ যন্ত্ৰটোৰ ওচৰ পোৱাৰ লগে লগে স্বয়ংক্রিয় (Automatic) দুৱাৰখন খোল খালে; তেওঁ সকলোৰে লগত কৰমৰ্দ্দন কৰি ভিতৰলৈ সোমায় গ'ল।

সকলোৰে চকু স্থিৰ হৈ ৰৈছে যন্ত্ৰটোৰ বাহিৰত জিলিকি থকা সূচক (Pointer) বোৰত। ডঃ হিউমে হঠাতে চিঞৰি উঠিল; "চাওক! চাওক! সেই Automatic Sub-Pointer ডালে horizon ৰ লগত ৯০° কৰিলে; অৰ্থাৎ মেৰিনাৰ শৰীৰ ইতিমধ্যে কৌটি কৌটি ক্ষুদ্ৰ ক্ষুদ্ৰ পৰমাণুত বিভক্ত হৈ গৈছে আৰু অলপ পিছতেই এই কনিকাবোৰে ইথাৰৰ মাজেৰে গতি কৰিব আৰু আন্তগ্ৰ'হ-ষ্টেচনত থকা গ্ৰাহক যন্ত্ৰত সোমাই পুনৰ তেওঁ কায়িক ৰূপ পাব"। "কিন্তু— কিন্তু মেৰিনাই কেনেকৈ বৃহস্পতি গ্ৰহ পাবগৈ" (??) অগনন জনতাৰ পৰা জাউৰীয়ে জাউৰীয়ে প্ৰশ্ন আহি ডঃ হিউমক ব্যতিব্যস্ত কৰি তুলিলে। তেওঁ কৈ গ'ল,—"পুনৰ মেৰিনাই সেই ষ্টেচনত থকা প্ৰেৰক যন্ত্ৰত সোমাব লাগিব তেতিয়া তেওঁৰ শৰীৰ আগৰ দৰে ক্ষুদ্ৰ ক্ষুদ্ৰ পৰমাণুত পৰিণত হব আৰু প্ৰেৰিত হব বৃহস্পতি গ্ৰহত তেওঁলৈ অপেক্ষাৰত ৰুকাৰৰ গ্ৰাহক যন্ত্ৰলৈ আৰু লগে লগেই আগৰ মেৰিনা ওলাই আহিব। তেতিয়াই বিজ্ঞানৰ এক নতুন দিগন্তৰ সূচনা হব।

সকলো দৰ্শকে বিজ্ঞানৰ এই জয় যাত্ৰাক একমুখে প্ৰশংসা কৰিলে। হয়তো তাৰ মাজতো দুই এজনে নোকোৱাকৈ নাথাকিল,— হায় মেৰিনা! হায় ৰুকাৰ!

মেৰিনা সুকলমে গৈ আন্তগ্ৰ'হ ষ্টেচন পোৱাৰ এটি তাৰবিহীন বাৰ্ত্তা (Wireless message) পৃথিবী আৰু বৃহস্পতি গ্ৰহৰ বৈজ্ঞানিক সকলে পালে।

ৰুকাৰৰ আনন্দৰ সীমা নাই। তেওঁ বিজ্ঞানৰ জয় যাত্ৰাক হিয়াভৰি শ্ৰদ্ধা জনাইছে। মন থৌকি-বাথৌ। কাৰণ ক্ষন্তেক পিছতেই আহি পাব তেওঁৰ অতি মৰমৰ মেৰিনা। ৰোমন্থন কৰিবলৈ ধৰিলে সেই বোৰ স্মৃতি।

এনেদৰে ৰুকাৰ ভাৱত তন্ময় হৈ থাকি হঠাতে দিঠকলৈ ঘুৰি আহিল আৰু গ্ৰাহক যন্ত্ৰৰ পাৰমাণৱিক ডায়েল খনত দৃষ্টি নিবদ্ধ কৰিলে। তাত তেওঁ সূচকৰ দ্বাৰা জানিব পাৰিলে যে ইতিমধ্যে কৌটি কৌটি পৰমাণু ইথাৰৰ মাজেৰে আন্তগ্ৰ'হ-ষ্টেচনৰপৰা বৃহস্পতিগ্ৰহৰ গ্ৰাহক যন্ত্ৰলৈ আহিব ধৰিছে। ৰুকাৰে আনন্দতে জপিয়াবলৈ ধৰিলে। কিন্তু অদৃষ্টই যেন এতি ক্ৰুৰ হাঁহি মাৰিলে, লগে লগে যেন ৰুকাৰৰো হৃদয়ৰ নিভৃততম কোনটো অজান আশঙ্কাত কঁপি উঠিল।

ক্ষন্তেক পিছতেই সূচকে সেই পৰমাণু পুঞ্জৰ গ্ৰাহক যন্ত্ৰত প্ৰৱেশৰ জাননী দিলে। লাহে লাহে Automatic দুৱাৰখন খোল খালে। কিন্তু মেৰিনাৰ পৰিবৰ্ত্তে এক কিম্ভুত কিমাকাৰ জন্তুৱে যোপা দৃষ্টিৰে ৰুকাৰৰ ফালে চাই খেদি আহিল। ৰুকাৰেও প্ৰাণৰ তাড়নাত যিমানেই লৰিবলৈ ধৰিলে জন্তুটোৱেও দুগুণ বেগেৰে খেদিবলৈ ধৰাত উপায়হীন হৈ তেওঁৰ হাতত থকা VFT-90 ৰিভলভাৰটো টোৱালে আৰু মুহূৰ্ত্তৰ ভিতৰতেই গুলীবিদ্ধ হৈ এক আৰ্ত্তনাদ কৰি সেই বৃহদাকাৰ জন্তু ঢলি পৰি চকু মুদিলে। অশ্ৰুসিক্ত নয়নেৰে ৰুকাৰ ঢলি পৰিল এই মৃতজন্তুৰ ওপৰত আৰু বেদন ক্লিষ্ট ভাষাৰে কবলৈ ধৰিলে—

মেৰিনা তুমি এদিন কৈছিলা ৰুকাৰ তোমাৰ অবিহনে মোৰ জীৱন আন্ধাৰ, তুমিয়েই মোৰ সকলো। তোমাৰ সেই নীলা চকুযুৰিত দেখিছিলো বহু অবুজ ভাষাৰ সংকেত; কিন্তু আজি বিজ্ঞানে তোমাক দান কৰিলে এযোৰ হিংস্ৰ চকু। ফলস্বৰূপে মোৰ হাতৰ ৰিভলভাৰ গৰ্জ্জি উঠিল। মেৰিনা! তুমি জানো মোক ক্ষমা কৰিব পাৰিবা? তোমাৰ পৱিত্ৰ প্ৰেমৰ মূল্য মই এইদৰেই দিলো"।

ৰুকাৰ সম্পূৰ্ণৰূপে সজ্ঞান হৈ গ'ল। তেওঁ বুজিলে মানুহৰ বৰ্ব্বৰতা, বিজ্ঞানৰ অক্ষমতা আৰু অসম্পূৰ্ণতা।

একবিংশ শতিকাৰ এজন অত্যাধুনিক নাস্তিক আমেৰিকান হৈয়ো নিজে যেন অনুভৱ কৰিলে মানৱজাতী ভুলপথে পৰিচালিত হৈছে। তেওঁ কিবা যেন এক মহানৰ অস্তিত্ব উপলব্ধি কৰিছে। লাহে লাহে বুজিবলৈ ধৰিলে যে নিশ্চয় এটি অনন্ত শক্তি আছে যি পৰিচালনা কৰে এই গোটেই বিশ্বব্ৰহ্মাণ্ড। ৰুকাৰ এদিন পৃথিবীলৈ গুছি আহিল। তেওঁৰ মনত এতিয়া একো ভাৱনা নাই। স্পষ্টকৈ বুজিলে এই জগতৰ অনিত্যতা (Nothingness) তেওঁ শাশ্বত শান্তি (Eternal Peace) বিচাৰি ব্যাকুল হ'ল। এই উদ্দেশ্যৰে পদাৰ্পন কৰিলেহি সনাতন ধৰ্মৰ লীলা ভূমি পৱিত্ৰ ভাৰতবৰ্ষত। বিভিন্ন ঠাইত ঘুৰি ঋষি-মুনি, সাধু-সন্নাসী লগ পালে আৰু পালে বহুতো অজানা কথাৰ সম্ভেদ, যিবোৰে ৰুকাৰক দিলে এক মানসিক প্ৰশান্তি; যি শান্তি মেৰিনাৰ লগত প্ৰেমালাপত আবদ্ধ থাকোতেও কেতিয়াও পোৱা নাছিল। এইদৰে এদিন ঘূৰিপকি ৰুকাৰ এদিন হিমালয়ত হেৰাই গ'ল।

(এই প্ৰবন্ধত ব্যৱহাৰ কৰা মানুহ বা যন্ত্ৰ-পাতিৰ নামবোৰ কাল্পনিক)



# কেথাৰছিছ

আশুবোধ কলিতা
২য় বাৰ্ষিক বি-এ

ট্ৰেজেডি'ত কোনো কাহিনীৰ নায়ক-নায়িকাৰ জীৱনৰ কৰুণ পৰিণতি দেখুৱা হয়। ট্ৰেজেডিত এই মানৱ জীৱনৰ কাৰুণ্য দেখি বা চাই আমাৰ আনন্দ লাগে। সেই কাৰুণ্যজনক কাহিনী চাবলৈ বা পঢ়িবলৈ আমাৰ বাৰে বাৰে হেঁপাহ জন্মে। কিন্তু জীৱনত কোনো মানুহে দুখ কামনা নকৰে। অথচ সেই দুখকেই ট্ৰেজেডিত চাবলৈ বা পঢ়িবলৈ হেঁপাহ কৰে। ইয়াৰ কাৰণ কি? মানৱ জীৱনৰ কাৰুণ্য দেখি আমাৰ অন্তৰ সহানুভূতিত যিমানেই বিগলিত হয়, সিমানেই কোনো অনাস্বাদিত আনন্দৰ আলোড়নত আমাৰ অন্তৰাত্মা চঞ্চল হৈ উঠে। ট্ৰেজেডিৰ এই আনন্দলৈয়েই ট্ৰেজেডি তত্ত্ববিদ্‌সকলে নানা প্ৰকাৰে আলোচনা কৰিছে।

এৰিষ্টটোলৰ ট্ৰেজেডিৰ সংজ্ঞাৰ অন্তৰ্গত কেথাৰছিছ্ (Cathersis) কথাটিলৈ এই আনন্দতত্ত্বৰ সৃষ্টি হৈছে। এৰিষ্টটোলৰ মতে ট্ৰেজেডিয়ে দৰ্শক আৰু পাঠকৰ অন্তৰত ভীতি আৰু কৰুণাৰ (Pity and fear) সৃষ্টি কৰে। দৰ্শক আৰু পাঠকৰ এই অনুভূতিয়ে মানৱ মনৰ দুখ বেদনা নিৰ্গমৰ সুবিধা দি অভিভূত মনক সুস্থিৰতা দান কৰে আৰু এটি অভিনৱ জীৱন বোধৰ আভাস দিয়ে। ইয়াকে এৰিষ্টটোলৰ কেথাৰছিছ্ (Cathersis) মতবাদ বুলি জনা যায়। সমালোচক লেচিঙ্‌ৰ মতে, 'কেথাৰছিছ'ৰ অৰ্থ পবিত্ৰকৰণ বা Purification. তেওঁৰ মতে বাস্তৱ জীৱনত মানুহৰ অন্তৰ কম বেছি পৰিমানে ভীতি আৰু কৰুণাৰ দ্বাৰা অভিভূত হৈ থাকে। ট্ৰেজেডিয়ে এই দুই অবস্থাৰ মাজত মধ্যস্থতা অৱলম্বন কৰে। লুকাচ্ নামৰ আন এজন সমালোচকে কেথাৰছিছ আলোচনা কৰি এইদৰে মত পোষণ কৰিছে যে কেথাৰছিছে আমাৰ অন্তৰৰপৰা দুখাদি অনুভূতিবোৰ দূৰ কৰাৰ পৰিবৰ্ত্তে আমাৰ স্বভাৱশীল চিত্তত দুখাবেগ জগাই তোলাৰ সম্ভৱনাহে বেছি। কছোৰ মতে ট্ৰেজেডিয়ে আমাক আনন্দ দিয়ে, কিয়নো আনৰ দুখ দেখিলে আমাৰ অন্তৰত এক প্ৰকাৰ আনন্দৰ সৃষ্টি হয়। আনৰ দুখ দেখি সৃষ্টি হোৱা এই আনন্দক Sadism বোলা হয়। কিন্তু কিছুমানে কছোৰ এই মত স্বীকাৰ কৰিব নোখোজে। তেওঁলোকে কয়

ট্ৰেজেডিৰ আনন্দ সৃষ্টিৰ মূলতে Sadism নহয়—Masochism হে—অৰ্থাৎ ট্ৰেজেডি পঢ়ি বা চাই দৰ্শকৰ অন্তৰত যি দুখৰ সৃষ্টি হয়—সেই দুখৰ পৰাই আনন্দৰ সৃষ্টি হয়। সম্ভৱতঃ আনৰ দুখ দেখি আনন্দ অনুভৱ কৰা মানুহৰ আদিম স্বভাৱগত প্ৰৱণতা। এম্পিথিয়েটাৰত ৰোমৰ নাগৰিকসকলে যি নিষ্ঠুৰ দৃশ্য চাই আনন্দ উপভোগ কৰিছিল তাৰ পৰাই নিষ্ঠুৰ আনন্দৰ প্ৰতি মানুহৰ হেঁপাহৰ পৰিচয় পোৱা যায়। প্ৰাচীন কালত ৰজা মহাৰজা সকলোৰো চিত্ত বিনোদনৰ বাবে সামগ্ৰী আছিল হিংসা, নিষ্ঠুৰ ইত্যাদিৰ দৃশ্য। এতিয়াও যে মানুহৰ এই নিষ্ঠুৰ আনন্দৰ প্ৰতি আকৰ্ষণ নাই এনে নহয়। বৰ্ত্তমান যুগৰ অপৰাধ মূলক কথা-ছবি আৰু থিয়েটাৰ বিলাকৰ জনপ্ৰিয়তাই ইয়াৰ প্ৰমাণ দিয়ে।

কিন্তু ট্ৰেজেডিৰ আনন্দক মানব মনৰ অবিমিশ্ৰ নিষ্ঠুৰতাজনিত বুলি এই কথা স্বীকাৰ কৰি লোৱা টান। কিয়নো ট্ৰেজেডিত তেতিয়া আমি নায়ক নায়িকাৰ দুখ দেখিবলৈ পাওঁ যেতিয়া সেই দুখেই আমাৰো দুখৰ কাৰণ হৈ উঠে। ট্ৰেজেডিত নায়ক-নায়িকাৰ সত্তাৰ লগত আমাৰ সত্তা অবিচ্ছেদ্য সহানুভূতিৰে একত্ৰিত হৈ পৰে। যেতিয়া নায়ক-নায়িকাৰ অন্তৰ দুখময় হৈ পৰে তেতিয়া আমাৰ অন্তৰতো তাৰ অনুৰণন হয়। এই দুখানুভূতিয়েও আমাৰ অন্তৰত আনন্দৰ সৃষ্টি কৰে। কাৰণ এই দুখে আমাৰ অন্তৰত আলোড়ণৰ সৃষ্টি কৰে। যিয়েই আমাৰ হৃদয় আলোড়িত কৰিব পাৰে সিয়েই সুখকৰ হয়। কমেডিত আমাৰ হৃদয় আংশিক ভাবেহে আলোড়িত হয়। সেই কাৰণে কমেডিৰ আনন্দ ক্ষন্তেকীয়া। আনহাতে ট্ৰেজেডিয়ে আমাৰ হৃদয়ত গভীৰ ভাৱে আলোড়ণৰ সৃষ্টি কৰিব পাৰে। সেই কাৰণে ট্ৰেজেডিৰ আনন্দ স্থায়ী হব পাৰে। ফোৰ্‌টেনলেয়ৰ'ৰ মতে মানুহৰ হৃদয়ত সুখ দুখ ওতঃপ্ৰোতঃ ভাৱে নিহিত থাকে। এটাৰ অনুভূতিৰ লগে লগে আনটোৰো অনুভূতি জাগে। তেওঁৰ মতে ট্ৰেজেডিৰ দুখ কাল্পনিক। সেই কাৰণে ট্ৰেজেডিয়ে আমাক আনন্দ দিয়ে।

ট্ৰেজেডি তত্ত্বৰ আনন্দৰ কাৰণ বহুতে আকৌ সাহিত্যৰ কলা-কৌশলৰ ওপৰত নিৰ্ভৰ কৰে বুলিও কব খোজে। কলা সুলভ চাতুৰ্য্যৰে ট্ৰেজেডিক সকলোৰে হৃদয়গ্ৰাহী কৰি তুলিব পৰা ক্ষমতা সাহিত্যিকৰ থাকিব লাগিব। সেই কাৰণে দাৰ্শনিক হিউমে ট্ৰেজেডিক সুন্দৰ ভাৱে প্ৰকাশ কৰিব পৰা ক্ষমতাৰ ওপৰতহে জোৰ দিছে। কিয়নো ট্ৰেজেডিৰ সৌন্দৰ্য্য নিৰ্ভৰ কৰে ছন্দ, বাক্‌চাতুৰ্য্য সংগীত প্ৰভৃতিৰ ওপৰত। এইবোৰৰ সহায়ত কলাসুলভ চাতুৰ্য্যৰে ট্ৰেজেডিৰ কাহিনী ভাগ আগ বঢ়াই নিব পাৰিলেই আনন্দজনক হৈ পৰে। হিউমে ইয়াক বাক্‌শক্তি বা Eloquence বুলি কৈছে। তেওঁৰ মতে সুখানুভূতিতকৈ দুখানুভূতিয়েহে আমাৰ হৃদয়ত তীব্ৰ আলোড়ন আৰু অসীম আনন্দৰ সৃষ্টি কৰিব পাৰে। ট্ৰেজেডিৰ ছন্দ, বাক্‌চাতুৰ্য্য সংগীত প্ৰভৃতিয়ে আমাৰ হৃদয়ৰ বেদনাক আনন্দলৈ পৰিবৰ্ত্তন কৰে।

সমালোচক লুকাচে ট্ৰেজেডিতত্ত্ব সম্পৰ্কে এইদৰে কৈছে—"Tragady, then, is a representation of human unhappiness, which pleases us not withstanding by the truth with which it is communicated." এই উক্তিৰপৰা আমি দুটা কথা পাওঁ—জীৱনৰ সত্যতাবোধ আৰু প্ৰকাশ ভংগীৰ চাতুৰ্য্য। কিন্তু সমালোচক নিকলৰ মতে ট্ৰেজেডিৰ চৰিত্ৰৰ মাজেদি যি অসীম মহত্ব আৰু বীৰোচিত কাৰ্য্য দেখুৱা হয় সিয়েই আমাৰ অন্তৰত আনন্দৰ সৃষ্টি কৰে।

আনন্দতত্ত্ব লৈ ভাৰতীয় অলংকাৰ শাস্ত্ৰতো বিষদ ভাৱে আলোচিত হৈছে। শোক, দুখ হৰ্ষ আদি এইবোৰ লৌকিক ভাৱ বোলা হয়। এই ভাৱ সমূহ যেতিয়া বিভাৱ, অনুভাৱ আদিৰ লগত মিশ্ৰিত হৈ দৰ্শকৰ চিত্তত ৰসত পৰিণত হয়, তেতিয়াই সেই কৰুণ ৰস লৌকিকতাৰ পৰা মুক্তি পায় আৰু এক অলৌকিক আনন্দৰ সৃষ্টি কৰে। লৌকিক ভাৱ সমূহৰ লগত বিভাৱ অনুভাৱৰ সংমিশ্ৰন ঘটি যেতিয়া ৰসত পৰিণত হয় তেতিয়াই দৰ্শকে বা পাঠকে আনন্দ অনুভৱ কৰে। নায়ক নায়িকাৰ চৰিত্ৰৰ লগত দৰ্শকৰ অবিচ্ছেদ্য সম্পৰ্ক গঢ়ি তুলিব পাৰিলেই ট্ৰেজেডি আনন্দজনক হৈ পৰে। ট্ৰেজেডিৰ ব্যক্তিজন

বা অভিনেতাজন যেতিয়া সাৰ্ব্বজনীন্ ব্যক্তিৰূপে অংগীভূত হয় তেতিয়া সেই চৰিত্ৰই দৰ্শকৰ হৃদয়ত আনন্দৰ সৃষ্টি কৰিব পাৰে।

নাট্যকাৰৰ সুচতুৰ শিল্প প্ৰতিভাৰ সুকোমল পৰশেও ট্ৰেজেডিক আনন্দজনক কৰি তোলে। কেবল করুণ ঘটনাৰ বৰ্ণনাই সাৰ্থক ট্ৰেজেডিৰ সৃষ্টি কৰিব নোৱাৰে। নাট্যকাৰৰ প্ৰকাশ ভংগীৰ মাধুৰ্য্য, ভাষা শিল্পৰ বৈচিত্ৰ্য আৰু আবেগ অনুভূতিৰ প্ৰাবল্যৰে সেই করুণ ঘটনাৰ ব্যক্তিগত দুখানুভূতিক সাৰ্বজনীন আনন্দানুভূতিত পৰিণত কৰিব পাৰিলেই সাৰ্থক ট্ৰেজেডিৰ সৃষ্টি কৰিব পাৰে। এৰিষ্টটোলৰ 'Pleasurable accessories', হিউমৰ 'Eloquence' আৰু লুকাচ্‌ৰ 'The skill with which it is communicated' আদিৰ সহায়ত ছন্দৰ লালিত্য, সংগীতাদিৰ প্ৰাচুৰ্য্য, প্ৰকাশ ভংগীৰ মাধুৰ্য্য আদিৰ কথাকে প্ৰকাশ কৰা হৈছে। এইবিলাকতে নাট্যকাৰৰ প্ৰতিভাৰ পৰশ আছে আৰু এই প্ৰতিভাৰ স্পৰ্শৰ কাৰণেও ট্ৰেজেডি আনন্দজনক হৈ উঠে।

---


প্ৰবন্ধটি যুগুত কৰোতে নিম্নোক্ত গ্ৰন্থবোৰ চাবলগীয়া হৈছিল।—

১। An Introduction to the study of Literature : Hudson

২। সাহিত্য দৰ্শন : শ্ৰীমনোৰঞ্জন শাস্ত্ৰী।

৩। সাহিত্য সুৰভি : অসম সাহিত্য সভা ৰঙিয়া অধিবেশন।

৪। নাটকেৰ কথা : অজিত কুমাৰ ঘোষ।

# বুৰঞ্জী

॥ অধ্যাপক শিৱনাথ বৰ্মণ ॥

'বুৰঞ্জী ইমানকৈ খুচৰিনো কি হব ? আমি নিজেই বুৰঞ্জী গঢ়ো-চোন আহক ।' — বুৰঞ্জীৰ বিষয়ে হোৱা এটা বিতৰ্কত অতীষ্ঠ হৈ সাহিত্যিক-বন্ধু এগৰাকীয়ে এবাৰ এইবুলি কৈছিল । বন্ধুগৰাকীৰ বুৰঞ্জী গঢ়াৰ যৌৱনসুলভ উদ্যম প্ৰশংসনীয় । বুৰঞ্জী জনা বা বুৰঞ্জী লিখাতকৈ বুৰঞ্জী গঢ়া যে এটা বহুগুণে অধিক প্ৰয়োজনীয় আৰু পুৰুষোচিত কাম, 'বুৰঞ্জীৰ গবেষণা' নামৰ বৃহটোৰ ভিতৰত আবদ্ধ থাকি বাস্তৱ জগতখনৰপৰা বিচ্ছিন্ন হৈ পৰা বুৰঞ্জীৰ তথাকথিত পণ্ডিত গৰাকীৰ বাহিৰে আন সকলোৱে এই কথা স্বীকাৰ কৰিব । আনহাতে সাহিত্যিক বন্ধুগৰাকীয়ে হয়তো এই কথা নাজানে যে কেৱল ৰজা-মহাৰজাসকলৰ ৰাজ্যজয়ৰ কিছুমান কাহিনীয়েই বুৰঞ্জী নহয় । কিছুমান অসংলগ্ন নৈসৰ্গিক তথ্যৰ সমষ্টিকে যিদৰে বিজ্ঞান নোবোলে, ঠিক তেনেদৰে কিছুমান অতীত ঘটনাৰ অবিন্যস্ত গোটালে বুৰঞ্জী বুলিব নোৱাৰি । অলৰ-অচৰ নহলেও বুৰঞ্জীৰ কিছুমান নিৰ্দ্দিষ্ট ধাৰা আছে ; ই কিছুমান নিৰ্দ্দিষ্ট বস্তুধৰ্মী নিয়মৰ বশবৰ্ত্তী ; গতিকে এজন বা দুজন মানুহৰ ব্যক্তিগত ইচ্ছা-অনিচ্ছাৰ ওপৰত ইয়াৰ গতি নিৰ্ভৰ নকৰে ; মন গলেই আচম্বিতে এক নতুন বুৰঞ্জী গঢ়ি তুলিব পৰা আলাদ্দিনৰ বন্তি ক'তো পাবলৈ নাই। সেয়ে বুৰঞ্জী গঢ়িব খুজিলে বুৰঞ্জী সম্পৰ্কে কিছুকথা জনাৰো প্ৰয়োজন আছে । অতীতক উলাই কৰি সম্পূৰ্ণ নতুনকৈ, —শূণ্যৰ পৰা, —ইতিহাস গঢ়া কাৰো পক্ষ্যে সম্ভৱ নহয় । ইতিহাসৰ কামেই হৈছে অতীতৰ পোহৰত বৰ্ত্তমান তথা ভবিষ্যতৰ বিষয়ে আমাক শিক্ষা দিয়া । পৃথিৱীৰ প্ৰতিটো জাতি, আনকি প্ৰতিজন ব্যক্তিৰ বৰ্ত্তমানত অতীত বিদ্যমান হৈ থাকে । গতিকে দেশৰ বৰ্ত্তমান পৰিষ্কাৰকৈ বুজা সম্ভৱ কেৱল ঐতিহাসিক পৰিপ্ৰেক্ষাতহে ; বৰ্ত্তমানক জানিব খুজিলে অতীতক প্ৰথমে কিছু জানি লোৱা দৰকাৰ ।

বুৰঞ্জী মানৱ জাতিৰ এক অশৰীৰী শিক্ষক । অতীতত আমাৰ পূৰ্ব-পুৰুষসকলে কৰি থৈ যোৱা দোষ ক্ৰুটিবিলাকৰ পুনৰাবৃত্তি নঘটাবলৈ বুৰঞ্জীয়ে আমাক শিক্ষা দিয়ে ; ইয়াৰ অধ্যয়নে জীৱনৰ বিভিন্ন দিশবিলাকৰ বিষয়ে আমাক এক সামগ্ৰিক দৃষ্টিভঙ্গী প্ৰদান কৰে আৰু সিইতক বিবৃক্তভাবে চাবলৈ শিকায় । বিশেষকৈ সমাজ বৈজ্ঞানিক সমস্যাবিলাকৰ অধ্যয়নত ঐতিহাসিক পদ্ধতিয়েই একমাত্ৰ পদ্ধতি বুলিব পাৰি । সমাজ বিজ্ঞানৰ উদ্দেশ্য হ'ল সমাজখন অধ্যয়ন কৰা ; কিন্তু অতীতক বাদ দি বৰ্ত্তমানৰ সমাজখনৰ স্বয়ংসম্পূৰ্ণ অস্তিত্ব নাই, বৰ্ত্তমান অতীতৰেই সৃষ্টি । গতিকে অতীতক ত্যাগ কৰি কেৱল বৰ্ত্তমানৰ

সমাজখনক লৈয়েই ব্যস্ত থাকিলে সমাজ বৈজ্ঞানিক অধ্যয়ন বিলাক উপকৰা ধৰণৰ হৈ পৰাৰ সম্ভাৱনা থাকে (ঠিক যেনেকৈ চিৰায়ত সাহিত্য বাজিক বাদ দি কেৱল বজাৰৰ শেহতীয়া পেপাৰকেথন কিনি 'আধুনিক' হৈ থকাৰ নিচাই মানুহক ফিলিষ্টাইনবাদৰ ফালে ৰাগবঢ়াই নিয়ে।) বৰ্ত্তমানৰ সমাজখন ভালদৰে বুজিবৰ বাবেই বুৰঞ্জীৰ জ্ঞানৰ প্ৰয়োজন। চোভিয়েত ৰুছিয়াৰ বুৰঞ্জী বঁচোতে ই. এইচ. কাৰৰ ভাষাত কব খুজিলে, 'সমাজবিজ্ঞান যিমানে বুৰঞ্জী-মূলক আৰু বুৰঞ্জী যিমানে সমাজবিজ্ঞানমূলক হয়, সি সমাজবিজ্ঞান আৰু বুৰঞ্জী উভয়ৰে পক্ষে শ্ৰেয়।"

অতি বহল অৰ্থত বুৰঞ্জীক আমি এবিধ বিজ্ঞান বুলিও অভিহিত কৰিব পাৰোঁ, কাৰণ বিজ্ঞানৰ দৰে বুৰঞ্জীয়েও বহু পৰিমাণে কাৰ্য্য কাৰণ সূত্ৰ (Causal law) মানি চলে। অৱশ্যে বুৰঞ্জীৰ কাৰ্য্য-কাৰণ সূত্ৰবিলাক পদাৰ্থবিজ্ঞান বা ৰসায়ণবিজ্ঞানৰ সূত্ৰৰ দৰে ইমান নিখুঁত নহয়। বুৰঞ্জীৰ বিষয়বস্তু অত্যন্ত জটিল। বুৰঞ্জীৰ জন্ম হয় অগনণ আপাত ক্ষুদ্ৰ ঘটনাৰ অবিৰাম পাৰস্পৰিক সংঘৰ্ষৰ ফলস্বৰূপে, অসংখ্য কাৰণ (Cause) আৰু অসংখ্য কাৰ্য্যৰ (Effect) সংঘৰ্ষই এটা ঐতিহাসিক ঘটনাৰ জন্ম দিয়ে আৰু ঘটনাটোৰ জটিলতাত কাৰ্য্য আৰু কাৰণবিলাক এনেদৰে মিহলি হৈ থাকে যে সিহঁতক সম্যকভাৱে বিশ্লেষণ কৰি সিহঁতৰ এটা নিৰ্দিষ্ট কাৰ্য্য-কাৰণ সূত্ৰ নিগমণ কৰা প্ৰায় অসম্ভৱ কথা। জাৰ্মান মনীষি কাৰ্ল মাৰ্ক্সৰ সহকৰ্মী ফ্ৰেডেৰিখ এঙ্গেল্‌চে এঠাইত লিখিছে—

"... ... ... ... history is maid in such a way that the final result always arises from conflicts between many iudividual wills, of weich each in turn has been made what it is by a host of particular conditions of life. Thus there are iunumerable intersecting forces, an infinite series of parallelograms of forces which give rise to one resultant the historical event."

সেয়ে বুৰঞ্জীৰ ভবিষ্যতবাণী বিজ্ঞানৰ ভবিষ্যতবাণীৰ দৰে নিখুঁত নোহোৱাটো স্বাভাৱিক। বুৰঞ্জী বিশুদ্ধ বিজ্ঞানলৈ উন্নীত হোৱাৰ আন এটা ডাঙৰ অন্তৰায় হ'ল, ইয়াত থকা মনোধৰ্মিতা। বিজ্ঞানত বিষয়ী অধ্যয়নৰ বিষয়ৰ পৰা পৃথক। কিন্তু বুৰঞ্জীত ই তেনে নহয়; ইয়াত বিষয়ী আৰু বিষয়ৰ সমাৰোপন ঘটে। অৰ্থাৎ ইয়াত অধ্যয়ন কৰোতাগৰাকীও মানুহ আৰু অধ্যয়নৰ বিষয়ো মানুহ। বুৰঞ্জীৰ নায়কবিলাক এটা ৰাসায়নিক দ্ৰব্য, এটা শিলগুটি বা এটা গিনিপিগ্ নহয়,—বুৰঞ্জীৰ নায়ক হলে নিজাকৈ ভাবিব পৰা, কাম কৰিব পৰা, জীৱন্ত মানুহ; থোৰতে কব খুজিলে, বুৰঞ্জীৰ নায়ক হ'ল বুৰঞ্জীবিদ নিজেই।

দ্বিতীয়তে, যিবিলাকক লৈ বুৰঞ্জীৰ কাৰবাৰ, সেই অতীতৰ ঘটনাবিলাকে কেতিয়াও 'প্ৰকৃত' ৰূপত আমাৰ সমুখত ধৰা নিদিয়ে,—বুৰঞ্জীবিদৰ লেখনিৰ মাজেদিহে সিহঁত আমালৈ প্ৰতিসৰিত হৈ আহে। আনহাতে নিজৰ ধ্যান-ধাৰণাক হেঁচা দি ৰাখি,—সম্পূৰ্ণ নিৰপেক্ষভাৱে,—কোনো বুৰঞ্জীবিদে বুৰঞ্জী ৰচনা কৰিব নোৱাৰে; ফলত বুৰঞ্জীবিদৰ মনৰ ছাঁ নপৰাকৈ অতীতৰ ঘটনাবিলাক,—যেনে আছিল ঠিক তেনে ভাবেই,—জনা আমাৰ পক্ষে সম্ভৱ নহয়। সেয়ে নিখুঁত বস্তুধৰ্মিতা বুৰঞ্জীত এটা পৰকীয় ঘটনা।

তথাপিও বিজ্ঞানৰ তত্ত্ববিলাকৰ দৰে বুৰঞ্জীৰ দাৰ্শনিকসকলে বুৰঞ্জী সম্পৰ্কেও বহুতো তত্ত্ব সৃষ্টি কৰিছে। যেনে—বুছৱেট আৰু ভিক'ই বুৰঞ্জীৰ ধৰ্মতাত্ত্বিক ব্যাখ্যা দিছে; মা'টস্কিউৱে ইয়াৰ ভৌগোলিক ব্যাখ্যা আগবঢ়াইছে; টয়নবী, স্পেংলাই আদিৰ মতে বুৰঞ্জী হৈছে জন্ম, বিকাশ আৰু ক্ষয় হব পৰা এটা জৈৱিক সত্তা যাৰ যৌৱন হ'ল পুঁজিবাদ; পাস্কাল, ভল্টেয়াৰ আদিয়ে আকৌ ক্লিওপেট্ৰাৰ নাকটোৰ দৰে এটা সামান্য ঘটনাই ইতিহাসৰ গতি সলনি কৰিবৰ বাবে যথেষ্ট বুলি ভাবে; কাৰ্লাইলৰ মতে বুৰঞ্জী হৈছে কিছুমান মহান পুৰুষৰ জীৱনীৰ সমষ্টি; হেগেলৰ মতে আকৌ বুৰঞ্জী হ'ল ভগৱানৰ আত্মজীৱনী—World Spirit ৰ ক্ৰমিক বিকাশ।

এনেধৰণৰ তত্ত্ববিলাকৰ যোগেদি বুৰঞ্জীৰ সৰহভাগ

দাৰ্শনিকে বুৰঞ্জীৰ ওপৰত এটা অতি-জাগতিক স্বৰ্গীয় সত্ত্বা আৰোপ কৰিব খোজে ; প্ৰায় নিজৰ অজ্ঞাতসাৰেই তেওঁলোকে ধৰি লয় যে বুৰঞ্জী যেন মানুহে সৃষ্টি নকৰে ; বৰং বুৰঞ্জীৰ বিষয় হবৰ বাবেহে মানুহে এই জগতত জন্ম লৈছেহি। কিন্তু অসীম সম্ভাৱনাৰ অধিকাৰী মানুহক যে বুৰঞ্জীয়ে তাৰ অলৰ-অচৰ নিয়মৰ সম্পূৰ্ণ বশৱৰ্ত্তী কৰাব নোৱাৰে, এই কথা বুজিবলৈ গভীৰ জ্ঞানৰ প্ৰয়োজন নাই। মানুহ বুৰঞ্জীৰ স্প্ৰিং দিয়া পুতলা নহয়। কিছুমান চিন্তাশীল মানুহে তেওঁলোকৰ ভ্ৰাতৃসকলৰ সামাজিক গতি-বিধি আলোচনা কৰিব খোজা আগ্ৰহৰ ফলতেই বুৰঞ্জীৰ জন্ম হৈছে ; গতিকে সৰ্ব্বশক্তিমান ঈশ্বৰ বা ব্ৰহ্মাৰ দৰে বুৰঞ্জীৰ কোনো অতি জাগতিক অস্তিত্ব থাকিব নোৱাৰে।

বুৰঞ্জীৰ অধ্যয়ন সম্পৰ্কে মাৰ্ক্সৰ যিটো পদ্ধতি, সেইটোকো বহুতে ওপৰোক্ত অভিযোগত অভিযুক্ত কৰা দেখা যায়। মাৰ্ক্সৰ জীৱনৰ প্ৰতিটো দিশকে বুৰঞ্জীৰ কিছুমান পূৰ্ব নিৰ্দ্ধাৰিত সিদ্ধান্তৰ পোহৰত ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছে বুলি কাৰ্ল পপাৰ আৰু ইচাইয়াহ বাৰ্লিয়ে মাৰ্ক্সৰ ঐতিহাসিক পদ্ধতিক বহুবাৰ গালি পাৰিছে। মানুহৰ ক্ষমতা যে ইতিহাসৰ দ্বাৰা বহু পৰিমাণে সীমিত,—এই বাস্তৱ সত্যক মাৰ্ক্সে নুই কৰা নাছিল। আনহাতে তেওঁ মানুহক ইতিহাসৰ ক্ৰীড়নকো কাহানিও কৰিব খোজা নাছিল। 'মানুহে—জীৱন্ত মানুহেহে, বুৰঞ্জী গঢ়ে'—এই কথা তেওঁ বাৰে বাৰে কৈছিল। বাস্তৱ পৰিস্থিতি চালি-জাৰি নোচোৱাকৈ কোনোবা 'অতি ঐতিহাসিক তত্ত্ব'ৰ কিছুমান অলৰ-অচৰ সূত্ৰৰ দ্বাৰা ইতিহাস ব্যাখ্যা কৰাৰ মাৰ্ক্স ঘোৰ বিৰোধী আছিল। এখন চিঠিত তেওঁ এই কথা স্পষ্টকৈ প্ৰকাশ কৰিছে।

"Events strikingly analogus, but taking place in different historical surroundings may lead to totally different results. By studying each of these forms of evohetion separately & then comparing them, one can easily arrive the Jul to this phenomenon: but will never arrive there, by using as one's master-key a general historico-philosopical theory, the supreme virtue of which consists in being super historical."

কোনো ধৰণৰ শাশ্বত, অতি ঐতিহাসিক তত্ত্ব ইতিহাসৰ দৰ্শনত নাই ; সেইবুলি সমাজবিজ্ঞান অধ্যয়নৰ কিছুমান নিৰ্দ্দিষ্ট ঐতিহাসিক পদ্ধতি নথকা নহয় ; —আৰু ইয়াৰ আটাইতকৈ কাৰ্য্যকৰী পদ্ধতিটোৰ আবিষ্কাৰক হ'ল মাৰ্ক্স নিজেই। 'ইতিহাসৰ বস্তুবাদী ব্যাখ্যা' বা 'ঐতিহাসিক বস্তুবাদ' নামৰ পদ্ধতিটোৰ আবিষ্কাৰক হিচাবে মাৰ্ক্স চিৰকাল সমাজবিজ্ঞানীসকলৰ নমস্য হৈ থাকিব। মাৰ্ক্সৰ ৰাজনৈতিক মতবাদ বহুতৰে মনঃপুত নহয়, তেওঁৰ অৰ্থ নৈতিক তত্ত্বৰ সত্যতাৰ ওপৰতো অনেকে সন্দেহ প্ৰকাশ কৰিছে ; কিন্তু তেওঁৰ ঐতিহাসিক বস্তুবাদ এটা অপূৰ্ব পদ্ধতি বুলি তেওঁৰ বিৰোধী পণ্ডিতসকলৰো অনেকেই স্বীকাৰ কৰি লৈছে। মাৰ্কিন অৰ্থনীতিবিদ যোচেফ এ. স্কুম্পেটাৰে এই পদ্ধতিক 'One of the great individual achivements of socialogy of this day' বুলি অভিহিত কৰিছে। মাৰ্ক্সৰ আন লগৰীয়া বৌদ্ধিক শত্ৰু মাক্স ওৱেবাৰে ইয়াক 'Scientific principle of greatest fecundity' বুলি স্বীকাৰ কৰিছে।

প্ৰাক্ মাৰ্ক্সীয় পণ্ডিতসকলে বুৰঞ্জী সম্পৰ্কে যি-বিলাক তত্ত্বৰ সৃষ্টি কৰিছিল, সিবিলাৰত মানুহৰ ভূমিকা আছিল গৌণ। মানুহৰ কাৰ্য্য-ক্ষমতাৰ ওপৰত তেওঁলোকে জোৰ দিয়া নাছিল। বৰং মানুহক তেওঁলোকে ইতিহাস দেৱতা গৰাকীৰ নিয়ন মানি চলা এটা নিষ্ক্ৰিয় বিমূৰ্ত্ত সত্তা বুলিহে ধৰি লৈছিল। মাৰ্ক্সে প্ৰথমবাৰৰ বাবে ঘোষণা কৰিলে যে মানবীয় ইতিহাস ৰচনাৰ প্ৰথম ভিত্তিটোৱেই হ'ল মানবীয় অস্তিত্ব ; মানুহক কেন্দ্ৰীয় বিষয় নকৰাকৈ মানবীয় বুৰঞ্জী ৰচিত হ'ব নোৱাৰে। তদুপৰি এই মানুহ নিষ্ক্ৰিয়, বিমূৰ্ত্ত মানুহ নহয়। এই মানুহ হ'ল প্ৰেম-ৰাগ, ঈৰ্ষা দুখেৰে

ভৰা তেজ-মঙহৰ সঁচা মানুহ । কেৱল কিছুমান মহৎ লোকে বা কিছুমান মহান আদৰ্শই বুৰঞ্জীৰ গঢ় নিদিয়ে ; ভৌগোলিক পৰিস্থিতি বা আকস্মিক দুৰ্ঘটনাৰ ভূমিকাও ইয়াত সামান্য ; বুৰঞ্জী গঢ়ে সাধাৰণ মানুহেহে আৰু সাধাৰণ মানুহে কোনো মহান আদৰ্শৰ দ্বাৰা প্ৰণোদিত হৈ কাম নকৰে ; তেওঁলোকৰ আশা-আকাঙ্খা, বিষয়-বাসনা—এই সকলোবিলাক পৰিচালিত হয় কিছুমান অতিশয় ব্যৱহাৰিক, আৰ্থিক স্বাৰ্থৰদ্বাৰা ৷ তেওঁলোকে সজ্ঞানে ইতিহাস নগঢ়ে । ইতিহাস গঢ়াৰ আগতে সাহিত্য, বিজ্ঞান, ধৰ্মচৰ্চা কৰাৰ আগতে, ৰাজনীতি কৰাৰ আগতে, তেওঁলোকে খাবলৈ, পিন্ধিবলৈ, ভালদৰে থাকিবলৈ বিচাৰে । এইদৰেই, জীয়াই থকাৰ উপকৰণসমূহৰ উৎপাদন আৰু সংগ্ৰহৰ যোগেদিয়েই, মানুহৰ প্ৰায় অজ্ঞাতে, মানবীয় ইতিহাস নিৰন্তৰে ৰচিত হৈ গৈ থাকে ; এটা নিৰ্দ্দিষ্ট স্তৰত উপনীত হলে ইতিহাসৰ এটা দ্ৰুত আৰু সৰল পৰিবৰ্তন ঘটে আৰু তাকেই 'বিপ্লৱ' বুলি কোৱা হয় । হেগেলে কোৱাৰ দৰে World Spirit নহয়, পাস্কালে কোৱাৰ দৰে কেৱল Chance নহয়, কাৰ্লাইলে কোৱাৰ দৰে Great Man নহয়,—উৎপাদন আৰু বিতৰণ পদ্ধতি, সম্পত্তি সম্পৰ্কৰ ক্ষয় আৰু বিভাজন, শিল্প আৰু ব্যৱসায়, মালিক আৰু বনুৱাৰ মাজৰ সম্পৰ্ক, সমাজত অহৰহ ঘটি থকা শ্ৰেণী সংঘৰ্ষৰ ৰূপ,—এই বিলাকহে ইতিহাসৰ গতি নিৰ্দ্ধাৰণৰ প্ৰধানতম সহায়ক। বুৰঞ্জীক গঢ় দিয়াত দেশৰ অৰ্থনৈতিক সম্পৰ্কবিলাকেই হ'ল মুখ্যতম ৰাশি । এই ৰাশিটোক বাদ দি দৰ্শন, ৰাজনীতি, ধৰ্ম বা সাহিত্যৰ স্বকীয়া বুৰঞ্জী থাকিব নোৱাৰে । ইহঁত দেশৰ অৰ্থ নৈতিক পৰিস্থিতিৰ ওপৰত নিৰ্ভৰশীল ; দেশৰ উৎপাদন ব্যৱস্থা আৰু উৎপাদন সম্পৰ্কবিলাকৰ পৰিবৰ্ত্তনৰ লগে লগে দৰ্শন, ৰাজনীতি, ধৰ্ম বা সাহিত্যৰ ৰূপৰো পৰিবৰ্ত্তন ঘটে ।

মাৰ্ক্সৰ সমগ্ৰ ৰচনাৱলীতে এই মনোভাব প্ৰচ্ছন্ন হৈ আছে যদিও মাৰ্ক্সে তেওঁৰ বুৰঞ্জীৰ এই দৰ্শন সুশৃঙ্খলভাবে কতো ব্যাখ্যা কৰি যোৱা নাই ; কাৰণ তেওঁৰ বিৰোধী পণ্ডিতসকলে তেওঁ ইয়াক এটা অলৰ-অচৰ তত্ত্ব বুলি লোৱা নাছিল ; বৰং সমাজবিজ্ঞান অধ্যয়নৰ এটা 'দিগদৰ্শক সূত্ৰ' (guiding principle) বুলিহে তেওঁ ইয়াক গণ্য কৰিছিল । "এ কণ্ট্ৰিবিউশ্যন টু দ্য ক্ৰিটিক অফ পলিটিকেল ইক'নমি" নামৰ গ্ৰন্থখনৰ পাতনিত তেওঁ এই বিষয়ে সামান্যভাৱে বহলাই আলোচনা কৰি গৈছে । তাৰে দুটামান শাৰী তলত তুলি দিয়া হ'ল—

"In the social production of their existence, men inevitably enter into definite relations, which is independent of their will, these relations of production correspond to a definite stage of development of their material forces of production. The totality of those relations of production constitutes the economic structure of society, the real production, on which arises a legal and political superstructure & to which correspond a definite form social conciousness. The mode of production of material life constitutes the general process of social, political & intellectual life. It is not the conciousness of men that determines their existence, but their social existence that determines their conciousness."

বুৰঞ্জী কেৱল ৰজা-মহাৰজাৰ কাহিনী নহয়, ই দেশৰ অগনণ সৰু সৰু মানুহৰো কাহিনী ; ই কেৱল বহুজনৰ এটাৰ শ্ৰমৰ ওপৰত তিষ্ঠি থকা এচাম মুষ্টিমেয় মানুহৰ ৰাহ-বিলাহৰ কাহিনী নহয়, ই খাটি খোৱা মানুহৰ জীয়াই থকাৰ সংগ্ৰামৰো কাহিনী, ই দেশৰ উৎপাদন ব্যৱস্থা আৰু উৎপাদন সম্পৰ্কবিলাকৰ পৰিবৰ্ত্তন আৰু ইয়াৰ পৰিণাম স্বৰূপে সাহিত্য, কলা, দৰ্শন ৰাজনীতি আদিৰ ক্ষেত্ৰত দেখা দিয়া বিপ্লৱ

সমূহৰ কাহিনী।

এই নতুন দৃষ্টিকোণৰপৰা ভাৰতৰ বুৰঞ্জী এতিয়াও খুব বেছি লিখা হোৱা নাই। এই বিষয়ৰ বাটকটীয়া সকলৰ নাম স্মঁৰিলে যি গৰাকী পণ্ডিতৰ নাম প্ৰথমেই মনলৈ আহে, তেওঁ হ'ল ডঃ ডিঃ ডিঃ কৌশাম্বী। An Introduction to the Study of Indian History আৰু Culture & Civilisations of Ancient India—ঘাইকৈ এই দুখন কিতাপৰ যোগেদি তেওঁ ভাৰতত বুৰঞ্জী লিখাৰ এটা নতুন ধাৰা প্ৰৱৰ্ত্তন কৰি থৈ গৈছে। (কৌশাম্বীয়ে দিয়া বুৰঞ্জীৰ এটা সংজ্ঞা হ'ল, "History is the presentation, in chronological order of the successive changes in the means & relations of production") ভাৰতৰ দাৰ্শনিক তথা ধৰ্মীয় ঐতিহ্যক এই নতুন দৃষ্টিকোণৰ পৰা পৰ্য্যালোচনা কৰা প্ৰধান পণ্ডিত গৰাকী হ'ল শ্ৰীদেবী প্ৰসাদ চট্টোপাধ্যায়। Lokayata : Studies in Ancient Indian Materialism, Indian Philosophy, Indian Alteism আদি গ্ৰন্থকে ধৰি ইংৰাজী আৰু বঙলা দুয়োটা ভাষাতে কেইবাখনো কিতাপ তেওঁ ৰচনা কৰিছে। এওঁলোকৰ উপৰিও পূব-জাৰ্মানীৰ ৱাল্টাৰ ৰুবেন, চোভিয়েট ৰুচিয়াৰ টি. ষ্টাৰ্‌হাট্‌স্কি, এন. পি আনিকেভ আদি ভাৰতবিদসকলেও ভাৰতৰ কৃষ্টি-সংস্কৃতিক এই জাতীয় দৃষ্টিভঙ্গীৰে আলোচনা কৰিছে।

এই নতুন দৃষ্টিকোণৰ পৰা অসমৰ বুৰঞ্জী বিস্তৃত ভাবে আলোচনা কৰিবলৈ এতিয়াও তেনেদৰে কোনো আগবাঢ়ি অহা নাই। অৱশ্যে ডঃ অমলেন্দু গুহৰ দুটামান ইংৰাজী প্ৰৱন্ধ আৰু ডঃ হীৰেন গোঁহাইৰ "অসমীয়া মধ্যবিত্ত সমাজৰ ইতিহাস" নামৰ প্ৰবন্ধ লানি (Origins of the Assamese Middle class' নামৰ যাৰ ইংৰাজী সাৰাংশও প্ৰকাশ হৈছে) তদুপৰি শ্ৰীঅমিল ৰায়চৌধুৰীয়ে শঙ্কৰী সংস্কৃতিৰ ওপৰত কৰা এটা নে দুটা আলোচনা ইয়াৰ উল্লেখযোগ্য ব্যতিক্ৰম।

মাৰ্ক্সৰ ৰাজনৈতিক দৰ্শন তথা অৰ্থ নৈতিক তত্ত্ব গ্ৰহণযোগ্য হয়নে নহয়, এই বিষয়ে বাক্-বিতণ্ডা বহু দিনৰ পৰাই চলি আহিছে আৰু আগলৈও হয়তো চলি থাকিব। কিন্তু তেওঁ যে বুৰঞ্জীৰ দৰ্শনৰ এটা প্ৰকৃত বিজ্ঞানসম্মত ভেটি ৰচনা কৰি থৈ গ'ল, এই বিষয়ে সন্দেহৰ অৱকাশ নাই।

● ● ●

---

পাদটীকা

১. E. H. Carr. What is History. Pelican. 1970. P. 66
২. K. Marx & F. Engels. Selected Correspondence. Moscow. 1968. P. 418
৩. ibid P. 313.
৪. Joseph A Schumpeter. The great Economists. New York. 1949. P. 11.
৫. K. Marx. Selected Writing in Sociology & Social Philosophy (edited) Pelican. 1970. P. 58.
৬. K. Marx. A Contribution to the critigue of Political Economy. Moscow 1965. PP. 20—21.
৭. D. D. Kosambi. The culture & Civilisation of Ancient India. Vikas Publishing House, 1972. P. 10.

# ॥ বিজ্ঞানাচাৰ্য্য সত্যেন্দ্ৰনাথ বসু ॥

অধ্যাপক অমূল্য চৌধুৰী

এশৰ ভিতৰত এশ দহ নম্বৰ দিলে গণিতৰ শিক্ষকজনে। আৰু কলে ক'চি, লেপলাস প্ৰভৃতিৰ দৰে তেওঁ এদিন পৃথিবী বিখ্যাত গণিতজ্ঞ হব।

হৈছিল সচাঁকৈয়ে। শিক্ষকজনে আশা কৰাতকৈ বহুত বেছি বিখ্যাত হৈছিল সত্যেন্দ্ৰ নাথ। সিও ত্ৰিশ বছৰ বয়সতে।

জন্ম ১৮৯৪ চনৰ এক জানুৱাৰী কলিকতাৰ গোৱাবাগান অঞ্চলত পিতৃ সুৰেন্দ্ৰ নাথ বসু। মাতৃ আমোদিনী দেৱী। কৈশোৰৰ চূপাততে ভবিষ্যত প্ৰতিভাৰ চিন পোৱা হৈছিল।

প্ৰতিভাৰ আন নাম সত্যেন্দ্ৰ নাথ। জীৱনত দ্বিতীয় হৈ পোৱা নাছিল কাহানিও মিশ্ৰ গণিতত এম-এচ-চি পাচ কৰাৰ পিচত ১৯১৭ চনৰ কলিকতা বিশ্ববিদ্যালয়ৰ বিজ্ঞান কলেজত অধ্যাপনা আৰম্ভ কৰে। লগতে গবেষণাও। প্ৰথম গবেষণাপত্ৰ "এ নিউ ইকুৱেচন অব ষ্টেট" প্ৰকাশ পায় ১৯১৮ চনত মেঘনাদ সাহাৰ লগত যুটিয়াভাবে। তাৰ পিছত তেওঁ আগবাঢ়ি গৈছে ক্ৰমাগত।

পদাৰ্থ বিজ্ঞানৰ তেতিয়া সন্ধিক্ষণ। সনাতনী পদাৰ্থ বিজ্ঞানৰ শেষ প্ৰহৰ। আধুনিক পদাৰ্থ বিজ্ঞানৰ ফেঁহুজালি। সনাতনী পদাৰ্থ বিজ্ঞানৰ গণ্ডীৰ বাহিৰত এটা নতুন প্ৰকল্প আগবঢ়াইছিল বিজ্ঞানী প্লেঙ্কে ১৯০০ চনত। সেইলৈ গোটেই বিজ্ঞান জগত তোলপাৰ। এই সুত্ৰৰ ভিত্তিত ন ন অৱিহনা যোগাইছিল আইনষ্টাইন প্ৰভৃতি স্বনামধন্য বিজ্ঞানী সকলে। তৰুণ বিজ্ঞানী সত্যেন্দ্ৰ নাথ অবিস্মৰণীয় কিবা এটা কৰাৰ বঙীন সপোন চকুত। বৈ থকাৰ সময় নাই তেওঁৰ। সাধনাত ব্ৰতী হৈ গল ঢাকা বিশ্ব বিদ্যালয়ৰ 'ৰিডাৰ' সত্যেন্দ্ৰ নাথ।

এক অভিনৱ দৃষ্টি ভঙ্গিৰে তেওঁ অন্বেষণ কৰিলে প্লেঙ্কৰ সুত্ৰটো। ১৯২৪ চনৰ জুলাই মাহত "প্লেকচ ল এণ্ড লাইটকোৱাণ্টাম হাইপ'থেচিচ" শিৰোনামাৰ চাৰি পৃষ্ঠাৰ গবেষণাপত্ৰ এখন পঠালে আইনষ্টাইনলৈ। আইনষ্টাইন মুগ্ধ হল। জাৰ্মান ভাষালৈ অনুবাদ কৰি মহামতী আইনষ্টাইনে তাক প্ৰকাশ কৰিলে। লগতে এটা টোকা দি লেখিলে—"প্লেঙ্কৰ সুত্ৰ প্ৰমাণত বোসৰ এই পদ্ধতি এটা গুৰুত্বপূৰ্ণ পদক্ষেপ।" ইমানেই। গোটেই বিজ্ঞান জগত বৰণ জনাই গল এই তৰুণ বিজ্ঞানীৰ প্ৰতিভাত। আশাতীত ভাবে ফলি গল স্কুলিয়া শিক্ষকৰ ভবিষ্যত বাণী। উল্লেখ যোগ্য যে

তেওঁ ইয়াত ব্যৱহাৰ কৰা পদ্ধতিটোৱে বিখ্যাত বোস সংখ্যায়নৰ মূল ভেঁটি।

ইয়াৰ পিচত তেওঁ পেৰিচত মেডাম কুৰীৰ লগত গবেষণা কৰে। আৰু তাৰ দহমাহ পিচতে হয় মণি কাঞ্চনৰ মিলন। সত্যেন্দ্ৰ নাথ যায় বাৰ্লিনলৈ। আইষ্টাইনৰ ওচৰলৈ। বাৰ্লিন তেতিয়া পদাৰ্থ বিজ্ঞানৰ স্নায়ুকেন্দ্ৰ। প্লেঙ্ক, স্ক্ৰ্যাডিঞ্জাৰ, পাউলি, হাইচেনবাৰ্গ, চোমাৰফিল্ড, আইনষ্টাইন প্ৰভৃতি প্ৰথিতযশা বিজ্ঞানী সকল তেতিয়া তাত। আইনষ্টাইনৰ সৌজন্যত সত্যেন্দ্ৰ নাথ এই সকল বিজ্ঞানীৰ সান্নিধ্যলৈ আহিল।

তেতিয়াই ঘটিছিল আমোদজনক ঘটনাটো। ঢাকা বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ প্ৰধান অধ্যাপকৰ পদ খালি। ঢাকাৰ বন্ধুকেইজনমানে লিখিলে সত্যেন্দ্ৰ নাথলৈ। কিন্তু তেতিয়াও তেওঁ পি এইচ ডি ডিগ্ৰী লাভ কৰা নাই। গতিকে বন্ধুকেইজনে তেওঁক উপদেশ দিলে আইনষ্টাইনৰপৰা এখন প্ৰমাণপত্ৰ লবলৈ। কথাটো মুঠেই ভাল নেপালে সত্যেন্দ্ৰ নাথে। তথাপি আইনষ্টাইনক জনালে তেওঁ। স্তম্ভিত হৈ গল আইন-ষ্টাইন। ই আকৌ কেনেধৰণৰ কথা? সত্যেন্দ্ৰ নাথে বিজ্ঞান জগতত যোগোৱা অৰিহণা জানো প্ৰমাণপত্ৰতকৈ অধিক নহয়? আইনষ্টাইনে অৱশ্যে প্ৰমাণপত্ৰ দিলে। তাত লিখিলে—"সত্যেন্দ্ৰ নাথৰ সান্নিধ্যই মোক যথেষ্ঠ উপকৃত কৰিছে।"

সত্যেন্দ্ৰনাথ ১৯৪৫ চনত ঢাকাৰ পৰা কলিকতা বিশ্ববিদ্যালয়লৈ আহে খয়ৰা অধ্যাপক হৈ। ১৯৫৪ চনত লণ্ডনৰ ৰয়েল চচাইটিৰ ফেল' মনোনীত হয়। ইয়াৰ পিচতে ভাৰত চৰকাৰে তেওঁক পদ্মবিভূষণ সন্মানেৰে ভূষিত কৰে। ১৯৫৬ চনত তেওঁ বিশ্বভাৰতীৰ উপাচাৰ্য্য আৰু ১৯৫৯ চনত জাতীয় অধ্যাপকৰ সন্মান লাভ কৰে।

বিজ্ঞানৰ এই আশাশুধীয়া পূজাৰীজনৰ মাতৃ ভাষাৰ প্ৰতি অৰিহণাও অতুলনীয়। স্বদেশী আন্দোলনৰ বাৰুদৰ গোন্ধ আৰু তাপত ডাঙৰ হোৱা লোক সত্যেন্দ্ৰ নাথ। বিজ্ঞানৰ সত্যেন্দ্ৰ নাথে স্পষ্টকৈ বুজিছিল যে মাতৃভাষা অবিহনে বিজ্ঞানৰ চৰ্চা সদুৰ প্ৰসাৰী হোৱা অসম্ভব। তেতিয়াই তেওঁ বিজ্ঞানৰ জটিল তথ্য সমূহ শ্ৰেণীত মাতৃভাষা বঙালীতে বুজাই দিছিল। তেওঁ আশা কৰিছিল যে দেশ স্বাধীন হোৱাৰ লগে লগে মাতৃ ভাষাত বিজ্ঞান চৰ্চা আৰম্ভ হব। স্বাধীন হোৱাৰ পিচত আৰু ধৈৰ্য্য ধৰিব নোৱাৰিলে তেওঁ। মাত্ৰ ছমাহ পিচতে প্ৰতিষ্ঠা কৰিলে মানস সন্তান বঙ্গীয় বিজ্ঞান পৰিষদ। 'জ্ঞান ও বিজ্ঞান' নামৰ বিজ্ঞানৰ আলোচনীখন এই পৰিষদৰ অন্যতম অৱদান।

নবেল বটা বিজয়ী নীল ব'ৰ। এবাৰ 'সাহা ইনস্টিটিউট অব নিউক্লিয়াৰ ফিজিক্সৰ' প্ৰেক্ষাগৃহত বক্তৃতা দিছিল। সভাপতিৰ আসনত সত্যেন্দ্ৰ নাথ। ক্লান্ত চকু দুটা তেওঁৰ জাপ খাই আছিল। হঠাৎ নিল ব'ৰ বৈ গল। জটিল গানিতিক পৰ্য্যায় এটাত তেওঁ সত্যেন্দ্ৰ নাথৰ সহায় বিচাৰিলে। বুদ্ধিদীপ্ত চকুহাল মেল খালে। নিয়াৰিকৈ বুজায় দিলে কথাখিনি।

অত্যন্ত নিৰ্ভিক আছিল সত্যেন্দ্ৰনাথ। এশ এবুৰি উদাহৰণ আছে তাৰ। বঙ্গৰ বাঘ চাৰ আশুতোষ মুখাৰ্জী বঙ্গ বৌদ্ধিক সমাজত এক চমকপ্ৰদ নাম। অসাবধান বসতঃ তেওঁ এটা জটিল অঙ্ক দিলে এম এচ চি পৰীক্ষাৰ প্ৰশ্ন কাকতত। কোনো পৰীক্ষাৰ্থীয়ে তাক স্পৰ্শই নকৰিলে। ক্ষুন্ন হৈ গল তেওঁ। পৰীক্ষক সকলৰ সভাত তাক প্ৰকাশ কৰিলে। সভা স্তব্ধ। কাৰো মুখত মাত নাই ভয়ত। হঠাৎ থিয় হল তৰুণ অধ্যাপক সত্যেন্দ্ৰ নাথ। লাহেকৈ কলে অঙ্কটো ভুল। ভুল? কোনে কলে? গৰ্জি উঠিল বঙ্গৰ বাঘ। নম্ৰ ভাবে কলে সত্যেন্দ্ৰনাথে যে তেওঁ নিজে কৰি চাইছে। আশন্ন বিপদৰ আশঙ্কাত পল গনিলে আটাইয়ে। কিন্তু খুচি হৈ গল চাৰ আশুতোষ।

তেওঁ কেতিয়াও সহ্য নকৰিছিল। কলিকতা বিশ্ব-বিদ্যালয়ৰ বিজ্ঞান শাখাৰ তেতিয়া তেওঁ 'ডীন'। এম-এচ-চি পৰীক্ষাৰ্থী সকলে তেওঁক ধৰিলে পৰীক্ষা এমাহ পিচুৱাব লাগে। তেওঁ কিন্তু মান্তি নহল। অনশনৰ ভাবুকি দিলে পৰীক্ষাৰ্থী সকলে। গহিনাই কলে সত্যেন্দ্ৰ নাথে "অন্যায় কথা এটাত যদি সচাঁকৈয়ে

লাগি থাকা, তেনেহলে মই বৰং পদত্যাগেই কৰিম ।" বচ্ আৰু কোনো কথা নাই। এটা এটাকৈ ওলাই আহিল আটাইজাক।


বিজ্ঞান সত্যেন্দ্ৰ নাথৰ জীৱনৰ ব্ৰটা ফালহে। বঙালি ভাষাত তেওঁৰ কেইবাটাও অনুবাদ প্ৰবন্ধ প্ৰকাশ কৰিছিল। তেওঁৰ এচৰাজত উঠা সঙ্গীতৰ লহৰে বহুতকে আনন্দ যোগাইছিল।

যোৱা ১ জানুৱাৰীত এই মহান বিজ্ঞানী জনাৰ আশী বছৰ পূৰ্ণ হল। উল্লেখযোগ্য যে এই বছৰৰ জুলাই মাহত 'বোস সংখ্যায়ন'ৰো পঞ্চাশ বছৰ পূৰ্ণ হব। এখন জাতীয় কমিটিৰ জৰিয়তে গোটেই বছৰ জুৰি ইয়াক উদ্‌যাপন কৰা কথা। এই তত্ত্বৰ ভূমিকা, গুৰুত্ব আৰু প্ৰয়োগৰ বিষয়ে খৰচি মাৰি আলোচনা কৰা হব। ভাগ লব দেশ বিদেশৰ বহুতো প্ৰথিত যশা বিজ্ঞানীয়ে। সকলোৱে ভাবিছিল স্বয়ং জনকেও তাত ভাগ লব। কিন্তু নিয়তিৰ পৰিহাস। সেয়া আৰু নহল।

৮ জানুৱাৰী কলিকতাৰ বসু বিজ্ঞান মন্দিৰত তেওঁক সম্বৰ্দ্ধনা জনোৱা হৈছিল। উত্তৰত তেওঁ কৈছিল—"যি বয়সত পুৰস্কাৰ, সম্বৰ্দ্ধনা আদি পালে নতুন উৎসাহেৰে কাম কৰা যায়, সেই বয়সত একোৱেই নেপালো। আজি আশি বছৰ বয়সত এনেকুৱা সম্বৰ্দ্ধনা পালোযে মৰিলেও আৰু কোনো ক্ষোভ নেথাকিব।" সেই দিনা এই কথাৰ গুৰুত্ব কোনেও নুবুজিলে। বুজিলে প্ৰায় এমাহ পিচত। ৪ ফেব্ৰুৱাৰী, ৰাতিপুৱা ৫ বাজি ৪০ মিনিটত। তেতিয়া কিন্তু তেওঁ ইহ সংসাৰত নাছিল।

● ● ●

* "Science To-day" জানুৱাৰী সংখ্যাৰ বিভিন্ন সংগ্ৰহৰ পৰা সহায় লোৱা হৈছে।



# ভাৰতীয় সমাজবাদৰ স্বৰূপ

॥ প্ৰদীপ ফুকন ॥
প্ৰাক্ বিশ্ববিদ্যালয়, দ্বিতীয় বাৰ্ষিক বিজ্ঞান

ভাৰতত হোৱা পুঁজিবাদৰ বিকাশ সম্পৰ্কীয় আলোচনাৰ গভিৰতালৈ যোৱাৰ আগতে চোৱা যাওঁক এই দেশৰ আভ্যন্তৰীণ চৰিত্ৰ। ইংৰাজসকল ভাৰতলৈ অহাৰ পূৰ্ব্বতে এই দেশৰ শাসনত আছিল সামন্তবাদী ৰজাসকল। এই সামন্ততন্ত্ৰক কক্ষচ্যুত কৰিবলৈ দেশৰ পুঁজিপতি শ্ৰেণীয়ে আৰম্ভ কৰা বিপ্লৱ সম্পূৰ্ণ হোৱাৰ আগতেই ভাৰতবৰ্ষৰ শাসনভাৰ ইংৰাজসকলৰ হাতলৈ যায়। দুশ বছৰ পশ্চিমীয়া শাসক গোষ্ঠীয়ে চুড়ান্ত পুঁজিবাদী শোষণ চলোৱাৰ পাছত, দেশীয় পুঁজিপতি শ্ৰেণীৰ হাতত এই দেশৰ শাসন ভাৰ ন্যস্ত হয়। লগে লগে এখন স্বাধীন আৰু সৰ্ব্বভৌম পুঁজিবাদী দশৰ জন্ম হয়। ভাৰতবৰ্ষৰ চৰিত্ৰৰ অতি উল্লেখযোগ্য দিশটো হৈছে যে ই এখন ৰাষ্ট্ৰ। এই ৰাষ্ট্ৰ হৈছে, সৰ্ব্বহাৰা শ্ৰেণীৰ প্ৰগতি আদিৰ প্ৰধান প্ৰতিবন্ধক।

১৯১৯ চনৰ ১১ ই জুলাইত স্বাৰ্দলভ বিশ্ববিদ্যালয়ত (ৰাচিয়া) দিয়া দিক্ষান্ত ভাষণত মহান লেলিনে ৰাষ্ট্ৰৰ ব্যাখ্যা দিওঁতে কৈছিল যে "ৰাষ্ট্ৰ হ'ল এটা শ্ৰেণীৰ দ্বাৰা আন এটা শ্ৰেণীৰ নিপিড়নৰ যন্ত্ৰ, এটা শ্ৰেণীৰ আন এটা শ্ৰেণীক, তলতীয়া শ্ৰেণীবোৰক বাধ্যবাধকতাত ৰখাৰ এটা যন্ত্ৰ"। এই যন্ত্ৰৰ বিভিন্ন ৰূপ আছে, দাস মালিকৰ ৰাষ্ট্ৰখন ৰাজতন্ত্ৰী হব পাৰে, অভিজাত তন্ত্ৰী প্ৰজাতন্ত্ৰ অথবা আনকি গণতান্ত্ৰিক প্ৰজাতন্ত্ৰও হব পাৰে, কাৰ্য্যতঃ চৰকাৰৰ ৰূপ অত্যন্ত ভিন ভিন ধৰণৰ হব পাৰে, কিন্তু সিবিলাকৰ সাৰ বস্তু সকলো সময়তে একে। দাস সকলে কোনো অধিকাৰ ভোগ কৰিবলৈ নাপাইছিল আৰু নিৰ্য্যাতিত শ্ৰেণী হৈ থাকিব লগা হৈছিল, তেওঁলোকক মানুহ বুলি গণ্য কৰা হোৱা নাছিল।" এই যুক্তিপূৰ্ণ আৰু বিজ্ঞানসন্মত ৰাষ্ট্ৰ বিষয়ত দিয়া ব্যাখ্যা অতি তাৎপৰ্য্য পূৰ্ণ আৰু গ্ৰহণ যোগ্য। ৰাষ্ট্ৰৰ উৎপত্তি হৈছে সমাজ বিপ্লৱ সমূহ দমন কৰাৰ কাৰণে আৰু সেয়েহে সমাজৰ প্ৰভাৱশালী শ্ৰেণীটোৱে বা ধনী শ্ৰেণীটোৱে এই যন্ত্ৰটোক তেওঁলোকৰ স্বাৰ্থৰ হকে প্ৰয়োগ কৰে; এই তথা কথিত ৰাষ্ট্ৰশক্তিৰ হাতত থাকে আইন প্ৰণয়ন কৰাৰ ক্ষমতা আইন অমান্য কৰা সকলক শাস্তি দিয়াৰ ক্ষমতা আৰু তাৰ কাৰণেই আদালত, পুলিচবাহিনী, কাৰাগাৰ,

আমোলা আদি দমনৰ বিভিন্ন উপায় সমূহ প্ৰয়োগ কৰা হয়। পুঁজিবাদক জীয়াই ৰখাত অথবা সম্প্ৰসাৰিত কৰাত পুঁজিপতি শাসকবৰ্গই ৰাষ্ট্ৰক এইদৰেই ব্যৱহাৰ কৰি আহিছে। এই দৃষ্টিভঙ্গিত ৰাষ্ট্ৰ হিচাবে ভাৰতবৰ্ষতো পুঁজিবাদক দীৰ্ঘজীৱি কৰাত প্ৰধান মাধ্যম স্বৰূপে ৰাষ্ট্ৰজনিত সকলোবোৰ বৈশিষ্ট্যৰে ভাৰতীয় ৰাষ্ট্ৰ যন্ত্ৰটো সকলো ফালৰ পৰাই পৰিপূৰ্ণ।

আজি ভাৰতবৰ্ষত বুৰ্জোৱা সমাজবাদৰ প্ৰবক্তা ৰা' বলিছে। চৰকাৰে দেশত বিপ্লব কৰাৰ কথা কৈছে, সমাজবাদৰ ফোপোলা শ্লোগানেৰে জনসাধাৰণক প্ৰতাৰণা কৰিছে। অৰ্দ্ধপেটে অনাহাৰে থকা শোষিত জনগণক 'গৰিবী হাটাও' পদ্ধতিৰে জীয়াই জীয়াই কবৰ দিছে। ভাৰত চৰকাৰৰ সমাজবাদ থাকেগৈ মস্কো, গ্ৰেটবৃটেইন, যুগোশ্লোভিয়া আদিত আৰু ভাৰতীয় প্ৰজায় দুৰ্ভিক্ষত আত্মহত্যা কৰে। নিজৰ সমস্ত শক্তি আৰু চেষ্টা প্ৰয়োগ কৰি কৃষকসকলে যিখিনি অন্ন উৎপাদন কৰে তাৰ বিনিময়ত তেওঁলোকে লাভ কৰে উপবাস আৰু পুঁজিপতি দালাল, লাভখোৰ, মজুতকাৰী সকলৰ অমানুষিক অত্যাচাৰ। মাটিহীন দৰিদ্ৰ কৃষক সকলৰ ক্ষত বিক্ষত জীৱনক লৈ চৰকাৰে আজি সুদীৰ্ঘ সাতাইশটা বছৰ লীলা খেলা চলাই আহিছে। এই দীৰ্ঘলীয়া সময়ছোৱাত দৰিদ্ৰ জনসাধাৰণৰ অৰ্থনৈতিক সজিৱতাৰ বিষয়ে চৰকাৰক কোনো মুহূৰ্ত্ততেই সজাগ সচেতন হোৱা দেখা নগল। এইখিনিতে দুজন অনুভূতিশীল বিদেশীৰ দৃষ্টিত ভাৰতীয় খেতিয়কৰ অৱস্থাটোৰ কথা উল্লেখ কৰিলো। এজন হল আৰ্নল্ড টইনবী তেওঁৰ ভাষাত—"কল্পনা কৰক ভাৰতীয় খেতিয়ক এজনৰ ছবিটো ঘৰৰ দুৱাৰ মুখত তেওঁ স্থানুৰ দৰে বহি আছে। এনেতে গুৰুৰ ঘৰৰ পৰা টেকেলা আহিল—গুৰুকৰ লাগে; হাড়ক মাটি কৰি তেজক পানী কৰি কৰা উপাৰ্জ্জনৰ এটা অংশ তেওঁ গুৰুকৰ হিচাবে দি দিলে; পিচ মূহুৰ্ত্ততে আহিল ৰজাঘৰৰ টেকেলা—ৰাজকৰ বা খাজানা লাগে; তেওঁকো দিব লগা হল এটা অংশ; তাৰ পিচত আহিল মহাজনৰ টেকেলা—সুতে মূলে ধাৰ পৰিশোধ কৰিব লাগে; গুৰু আৰু ৰজাঘৰক দি যি সামান্য বাকী আছিল সেইখিনিও ঋণ আদায়ৰ নামত লৈ গল মহাজনৰ টেকেলাই। সকলোকে দি দি খেতিয়কজনৰ নিজৰ ভাগত থাকিল কেৱল অন্তহীন দৰিদ্ৰ আৰু অভাৱৰ হাঁহাকাৰ। হাজাৰ হাজাৰ বছৰ ধৰি ভাৰতীয় খেতিয়ক এই অৱস্থাই চলি আহিছে। তাৰ কোনো পৰিবৰ্ত্তন নাই। পৃথিৱীত ইয়াতকৈ মৰ্মন্তুদ দৃশ্য আন কিবা আছে বুলি মোৰ বিশ্বাস নহয়।"

আনজন হল চমাৰচেট্ মম। তেওঁ কৈছিল—"এই দেশত ইয়াতকৈ অবিস্মৰণীয় অভিজ্ঞতা মোৰ কাৰণে আন একোৱেই নাই। পূবে-পশ্চিমে, উত্তৰে দক্ষিণে যি ফালেই চাওঁ সেই ফালেই কেৱল চকুত পৰে ভাৰতীয় খেতিয়কৰ হাড়ে চালে লগা ধূলি ধূসৰিত মূৰ্ত্তিটো—জুই বৰষা আকাশৰ তলত থিয় হৈ পাঁচহাজাৰ বছৰ পুৰণি নাঙলটোকে চোঁচোৰাই চোঁচোৰাই তেওঁ কোনোমতে প্ৰাণটো ৰক্ষা কৰিবৰ কাৰণে মাটিৰ বুকুৰ পৰা এমুঠি অন্ন আঁজুৰি উদয়াস্ত প্ৰাণপাত কৰিছে। শতাব্দীৰ পাচত শতাব্দী কত সভ্যতাৰ ভঙা গঢ়া আৰু ক'ত সাম্ৰাজ্যৰ উত্থান পতন হ'ল; কিন্তু ভাৰতীয় খেতিয়কৰ জীৱনলৈ কোনো পৰিবৰ্ত্তনেই নাহিল। এই দৃশ্যটোৱেই মোৰ মনত খুব গভিৰ অ'ক মচিব নোৱাৰা দাগ বহুৱাইছে। এই দুজন মানৱপ্ৰেমী বিদেশীয়ে ভাৰতীয় খেতিয়ক সকলৰ ক্ষেত্ৰত নিসন্দেহে অতি বাস্তৱ সত্যক স্বীকাৰ কৰি বিশ্বদৰবাৰত ভাৰতবৰ্ষৰ অৰ্থনৈতিক দৰিদ্ৰৰ দিশটো ডাঙি ধৰিছে।

কৃষক সকলৰ এই বিষ্মাৰু সমস্যা দূৰ হোৱাতকৈ বৰং দিনক দিনে বেচি হৈহে গৈছে। দৰিদ্ৰতাৰ একেবাৰে নুন্যতম সীমাৰেখাৰ তলত ভাৰতীয় জনসাধাৰণৰ শতকৰা আঁশীভাগ লোকে জীৱন ধাৰণ কৰে। এটা এটাকৈ পাৰ হৈ যোৱা চাৰিটা পঞ্চবাৰ্ষিক পৰিকল্পনাই দেশৰ প্ৰকৃত সমস্যাৰ সমাধান কৰাত ব্যৰ্থ হৈছে। অথচ এই সময় ছোৱাত অসংখ্য পুঁজিপতীৰ সৃষ্টি হোৱাটো মন কৰিবলগীয়া। আনহাতে চৰকাৰে ৰাজনৈতিক স্বাৰ্থসিদ্ধিৰ হকে খৰছ কৰা ধনৰ শিতানটো

চাওঁক—দেশৰ প্ৰতিখন নগৰে চহৰে ৰাষ্ট্ৰীয় নায়ক সকলৰ প্ৰতিমূৰ্ত্তি স্থাপনৰ বাবে কৌটি কৌটি টকা ব্যায় কৰা হয়। গুৱাহাটীৰ এটা উদাহৰণ এই খিনিতে উল্লেখ কৰা হল—গুৱাহাটীৰ শৰণীয়া পাহাৰত এটা গান্ধীৰ মণ্ডপ নিৰ্ম্মাণ কৰা হৈছে ; আৰু সেই মণ্ডপ নিৰ্ম্মাণত বহুলাখ টকা খৰছ হৈছে। এনেদৰে ৰাজহুৱা ধনৰ অপচয় কৰি দেশৰ অৰ্থ নৈতিক গাঠনিটো দুৰ্ব্বল কৰি তোলাৰ দৃষ্টান্ত আৰু বহুতো পোৱা যায়। নেতা সকলৰ জন্ম, মৃত্যু আৰু শতবাৰ্ষিকি আদি তিথি সমূহত প্ৰতিবছৰে অপব্যয় কৰা বিৰাট পৰিমানৰ অৰ্থ আৰু সামগ্ৰী আদিৰ হিচপটৌলৈও আমি আওকাণ কৰিব নোৱাৰো। এই বিলাক শিতানত ব্যয় হোৱা অৰ্থৰ পৰিমাণ আচৰিতজনক। অলপতে 'দৈনিক অসম' বাতৰি কাকতত প্ৰকাশ হোৱা বাতৰি এটা ডাঙি ধৰিলো ; বাতৰিটো হল চীন দেশৰ। চীনৰ পাৰ্টি প্ৰধান মাওচেটুঙৰ ৮২ তম জন্ম দিৱসত দেশত স্থাপন কৰা মাওৰ প্ৰতিমূৰ্ত্তি বিলাক উঠাই দিয়া হৈছে আৰু চৰকাৰে আইন জাৰি কৰি জনাইছে যে কোনো নেতাৰে প্ৰমূৰ্ত্তি স্থাপন কৰাতো আইন নিসিদ্ধ আৰু মাওৰ ৮২ তম জন্ম দিৱস আনুষ্ঠানিক বা জাকজমকতাক কোনেও পালন কৰিব নোৱাৰিব। এই কথা নিসন্দেহ যে চীন চৰকাৰৰ এই কাৰ্য্য অতি যুক্তিপূৰ্ণ আৰু বিশ্বৰ অৰ্থ নৈতিক ভাবে জুৰুলা হোৱা দেশ বিলাকৰ প্ৰতি এক গুৰুত্বপূৰ্ণ নিৰ্দ্দেশ আৰু এক মহান আদৰ্শ।

১৯৭০ চনত কলিকতাত হোৱা কংগ্ৰেছ অধিবেশনত আমাৰ প্ৰধান মন্ত্ৰী শ্ৰীমতী গান্ধীক মাত্ৰ চাৰিদিন থাকিবৰ বাবে দহলাখ টকা ব্যয় কৰি এটা আটক ধুনীয়া কৃত্ৰিম বঙলা সাজি দিয়ে। এয়া ভাৰতীয় দৰিদ্ৰ জনগণৰ প্ৰতিনিধি ; যিসকল চাৰিদিন থকাৰ বাবদ দহলাখ টকা ব্যায় কৰে। অথচ দুখীয়া প্ৰজাই মুক্ত আকাশৰ তলত এখন স্বাধীন দেশৰ নাগৰিকত্বৰ সোৱাদ লৈছে। এই সকল জনগণৰ বসবাস কৰাৰ একমাত্ৰ স্থান হল ৰেল বাছৰ ষ্টেচন আৰু অভাৱ ব্ৰীজ আদিৰ ত দেশৰ প্ৰতিখন নগৰ বা মহানগৰত এনে ধৰণৰ দৃষ্টান্ত অলেখ। সৌ সিদিনা শ্ৰীমতী গান্ধী গুৱাহাটীলৈ আহোতে তেওঁৰ গতানুগতিক ভাষণত কৈছিল--"অসম ভাৰতৰ বৰ গুৰুত্বপূৰ্ণ প্ৰান্তৰত অৱস্থিত। এই দেশখন আৰু ইয়াৰ জনসাধাৰণক মোৰ খুব ভাল লাগে। অসমৰ গুৱাহাটী এখন ডাঙৰ অৰু সুন্দৰ মহানগৰ।" কোৱা বাহুল্য যে সেইদিনা তেওঁৰ দৰে হাজাৰ হাজাৰ পোৗঢ়া নাৰী আৰু পুৰুষ গাভৰুৱে সুলভ মূল্যৰ দোকানৰ সন্মুখত মাত্ৰ ২৫০ গ্ৰাম চাউল বা আটাৰ কাৰণে শাৰী পাতি আছিল। আৰু হয়তো প্ৰধান মন্ত্ৰীক দৰ্শন দিবলৈ যোৱা জনসাধাৰণৰ এটা বৃহৎ আশাই আগনিশা একো খোৱা নাছিল।

বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অসংখ্য ৰাষ্ট্ৰনায়ক আৰু কুটনৈতিক নেতাসকলক আদৰ অপ্যায়ন কৰোঁতেই ভাৰতবৰ্ষৰ সুদীৰ্ঘ সাতাইশটা বছৰ পাৰ হল। দেশত বিশেষকৈ চহৰ সমূহত বহুতো বৃহৎ বৃহৎ অট্টালিকা নিৰ্ম্মিত হৈছে; কিন্তু আনহাতে দৰিদ্ৰ জনসাধাৰণৰ গৃহহীন হোৱা অৱস্থাৰ চিত্ৰখন অতি শোকজনক।

যোৱা পাক ভাৰত যুদ্ধত বাংলা দেশত বন্দী হোৱা আশী হাজাৰ যুদ্ধ বন্দীক আজি তিনি বছৰে দি অহা ভৰণপোষণৰ হিচাবটো সচাকৈয়ে ভাবিবলগীয়া। এই আশী হাজাৰ যুদ্ধ বন্দীক দিয়া প্ৰতিদিনৰ খৰছ হল ২,০০,০০০০০ (দুই কৌটি) টকা ; অৰ্থাৎ প্ৰতি বছৰে ব্যায় হয় ৭২০,০০০০০০০ (সাতশ বিশ কৌটি) টকা। অন্যহাতে দেশৰ নিৰ্ব্বাচন বিলাকত ধনৰ শৰাধ পতা হয়। সেই সময়ত চিন্তাই কৰিব নোৱাৰি যে আমাৰ দেশখন প্ৰকৃততে অৰ্থ নৈতিক দুৰ্দ্দশাগ্ৰষ্ট এখন দেশ। বিভিন্ন উপায়েৰে জনসাধাৰণক শোষণ কৰি এইদৰে অৰ্থৰ ব্যায় কৰাতো আজি আৰু কোনো ভাৰতীয়ৰ অপৰিচিত নহয়।

চৰকাৰৰ কাৰ্য্য-ক্ৰমণিকাৰ বিস্তৃত আলোচনাৰ পাতনি আৰু এটা পৰ্য্যায়ত নেমেলি এটা সত্যতে উপনিত হব পাৰি যেয়া হৈছে—চৰকাৰে মুখত সমাজ-বাদৰ নামগুণ গাই এক নতুন কৌশলেৰে জনসাধাৰণৰ ওপৰত পুঁজিবাদী শাসন প্ৰৱৰ্ত্তন কৰিছে। স্বাধীনোত্তৰ